# গ্ৰন্থ পৰিচিতি

জুন, ২০১৮







অসমত বাৰিষা উদযাপন....
গাঁওখন গ'ল.... গাঁওখনলৈ যোৱাৰ বাটটো গ'ল.... তথাপিও ডাঙৰ মাছৰ আশাত বন্দী মানুহ....

# গ্ৰন্থ পৰিচিতি

**জুন, ২০১৮**

# গ্ৰন্থবান্ধৱ

## গ্ৰন্থেৰে সমৃদ্ধ জীৱন....

**সম্পাদক :** সঞ্জীৱ সভাপণ্ডিত
**সতীৰ্থঃ** নয়নমণি শৰ্মা
**এই সংখ্যাৰ সহযোগী :** অমৃতা সভাপণ্ডিত

**www.granthabaandhav.in**
granthabaandhav@gmail.com

## অসমীয়া ভাষাৰ বিভ্ৰাট

আজি বহু দিনৰ পৰা কিছুমান মানুহে কৈ আছে যে অসমীয়া ভাষাৰ ভীষণ সংকট হৈছে। ভাষা মৰিব-জাতিও মৰিব।

কাগজে পত্ৰে লিখা হৈছে এনেবোৰ কথা।

আমাৰ মানুহে 'লিখা কথাবোৰ' কোনোবা চোকা-জ্ঞানী মানুহে লিখা বুলি ভাবি বৰকৈ বিশ্বাস কৰে। ফলত অসমীয়া মানুহবিলাকৰ সৰহভাগেই খুব ভয় খাইছে আৰু আতংকত অস্থিৰ হৈ পৰি যিকোনো ধৰণৰ কাম কৰিবলৈ লৈছে। ফলত অসমৰ অবস্থা একেবাৰে দুখলগা হৈ পৰিছে।

১ জুলাইৰ দিনা ২৫ জুনত মৃত্যু দিৱস পৰা সৌৰভ কুমাৰ চলিহাৰ স্মৃতি চাৰণ অনুষ্ঠান এটালৈ গৈছিলো। অভিযন্তা-ব্যৱসায়ী-লেখক স্যমন্ত ফুকনে 'কিবাকিবি' কৈছিল আৰু লেখক প্ৰশান্ত দাসে চলিহাৰ লেখাৰ ওপৰত আলোকপাত কৰিছিল। মইয়ো কথা এটা ক'ম বুলি গৈছিলো। কিন্তু সময় আৰু পৰিৱেশে সেই সুযোগ নিদিলে।

কথাটো আছিল এনেকুৱা-

১৯৬০ ৰ দশকত 'অশান্ত ইলেক্ট্ৰনে' অসমৰ সাহিত্য জগতত ভৰি থওঁতে তেতিয়াৰ ৰামধেনু যুগৰ কোমল-মিহি-ৰোমান্তিক ভাৱবিলাকত মতলীয়া অসমৰ সুধীসমাজে সেই বেবেৰিবাং ভাষা, আগ নাই গুৰি নাই কাহিনী, জপং জপং ভাৱেৰে লিখা থিচিৰি এসোপাক সাহিত্য বুলিবলৈ ৰাজী নহৈছিল।

কিন্তু দিন যোৱাৰ লগে লগে যেতিয়া সেই লেখাবিলাকৰ আঁৰত থকা গভীৰ ভাবোদ্দীপক উত্তেজনা, গাওঁ-চহৰ-দেশ-মহাদেশৰ ভৌগলিকতাক অতিক্ৰম কৰাৰ ক্ষমতা, অতীত–বৰ্তমান-ভৱিষ্যৎ একাকাৰ কৰাৰ প্ৰৱণতা লাহে লাহে বুজি পালে, তেতিয়া সকলোৱে থিয় হৈ নমস্কাৰ জনালে – হে কুশলী, হে কৌশলী তুমি আমাক ধন্য কৰিলা।

জীৱনত কথাবোৰ এনেকুৱাই হয়।

মহাপুৰুষ দুজনাই ভকতিৰ বোঁৱতী নদীত অসমৰ মানুহক স্নান কৰাইছিল- ব্ৰজবুলি ভাষাৰে। সেই সময়ত ধৰ্মৰ বাহিৰে সাহিত্যৰ অন্য বিষয়বস্তুৱেই নাছিল। তথাপি তাৰ মাজতে শংকৰদেৱৰ নিচিনা বৰগছজোপাৰ ছত্ৰছায়াত থকা সত্বেও মাধৱদেৱে লিখিছিল- মানে লিখিব পাৰিছিল, মুক্তিত নিস্পৃহ যিটো, সেহি ভকতকো নমো, ৰসময়ি মাগোহো ভকতি- Something of the highest philosophical form – I am someone who is not interested even in salvation- নিৰ্মাণ হ'ল মানুহৰ মনত সৃষ্টি হ'ব পৰা সৰ্বোত্তম আকাংক্ষা- পৰমাত্মাৰ লগত বিলীন হৈ যাব পৰা অৱস্থা এটা – য'ত আৰু এই দুখ কষ্টৰ জনমৰ সমুখীন হ'ব লগা নহয়- জন্ম চক্ৰত জীৱ জগত আৰু ঘূৰিব নালাগে। এয়া হ'ল ভগৱৎ প্ৰাপ্তি- পৰমাত্মাক প্ৰাপ্তি।

'মুক্তিতো নিস্পৃহ' শব্দ দুটাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে অলেখ অযুত ভাবৰ মিচিল-বৰষুণৰ দৰে, ৰ'দৰ দৰে, যৌৱনৰ দৰে, সম্ভোগৰ দৰে, খেতিৰ দৰে, ফচলৰ দৰে, কথাৰ দৰে, সুৰৰ দৰে।

তাৰ পিচতো বহুতে 'অসমীয়া' নামৰ ভাষাটো লিখি গ'ল।

লক্ষ্মীনাথ-পদ্মনাথৰ পূৰ্ববৰ্তী সকলে গদ্য লিখিলে-

'মঞি অধমে খাটনি ধৰিছো যে খাজনা শুদ ও মোলৰ সহিতে ব'হাগৰ দোমাহীৰ বেলা মাৰ নৌজাওতেই পৰিসোধ কৰিয়া দিম।'

এই অসমীয়া ভাষাও চলিল।

লক্ষ্মীনাথ-পদ্মনাথহঁতে লিখিলে-

ত্ৰিভূৱন মাজে যত বস্তু মধুময়
সিসবৰ সাৰভাগ কৰি একে ঠাই
পূবালি উদৰে তোৰ হে বাঁহী অমিয়া

(বাঁহী- প্ৰথম বছৰ, প্ৰথম সংখ্যাৰ পৰা)

বেণুধৰ শৰ্মাই লিখিলে, দীঘল যতি নপৰা শব্দ লানি- মানুহটোক বিয়ৈ-পৈয়েকৰ সৈতে সানি পোটকি ঠাইখনৰ সৈতে লেতিয়াই এক বৰ্ণনাত্মক ভাষা- য'ত সৃষ্টি হ'ল এজন মানুহৰ বুৰঞ্জীৰ লগত এখন ঠাইৰ বুৰঞ্জী।

দেবেন্দ্ৰ নাথ আচাৰ্য্যই লিখিলে- বেং বেলেষ্টৰৰ কাহিনী।

সত্যেন্দ্ৰ নাথ বৰকটকীয়ে লিখিলে-এচেন্দিং কুমজেলেকুৱা।

মামণি ৰয়চম গোস্বামীয়ে লিখিলে- দক্ষিণ কামৰূপৰ আমৰঙী ভাষা।

আৰু সৌৰভ কুমাৰ চলিহাই লিখিলে- বেথাপ্পা বেইমান ভাষা, য'ত শব্দই পাহৰি গ'ল নিজৰ আভিধানিক অৰ্থ। গোটাই ললে এযোৰ দুযোৰ কেইবাযোৰ কাপোৰ- প্ৰকাশ কৰি গ'ল বহুত অৰ্থ- বহুত বৰ্ণ- বহুত বৰণ-বহুত সমাজ। দুপৰীয়াত কাহিনী ওলাল একাকীত্বৰ। 'সিহঁতে পাহাৰ বগালে' 'সিহঁতেও পাহাৰ বগালে' হ'ল। মাধবদেৱৰ শব্দ দুটাৰ দৰে এতিয়া সৌৰভ কুমাৰ চলিহাৰ শব্দৰ পিছে পিছে অৰ্থ দৌৰিবলৈ ধৰিলে।

আৰু আমি অজ্ঞ মূঢ়মতি বিলাকে অবাক হৈ চাই ৰ'লো। একো বুজি নাপালো। ভাকুট কুটালেহে হাঁহিব জনা অসমীয়াই PG Woodhouse ৰ dry English satire বুজিকে নাপায়। কি কৰা যায়!

গতিকে অসমত ব্যক্তিক লৈ সমস্যা হোৱা নাই। হৈছে ব্যক্তি সমষ্টিক লৈহে। অসমৰ জনমানসে ধাৰণ কৰিব নোৱাৰে- সুন্দৰতা আৰু বিশালতা ; চকু নাই- কাণ নাই- মূৰ নাই। চৰ্চ্চা নকৰে। ওচৰলৈ নাযায়। নুবুজে। বুজাবিলাকক হাঁহে।

সেয়ে এই সুন্দৰ ভাষাটো সকলোৱে নষ্ট কৰিছে। বাতৰি কাকতে-সংবাদ মাধ্যমে-বাটে ঘাটে সকলোতে। থকা বস্তু ব্যৱহাৰ নকৰাত বা নষ্ট কৰাত অসমীয়া সিদ্ধহস্ত।

বাংলাদেশী বনুৱাৰ লগত- ব্যৱসায়ীৰ লগত কথাত অসমীয়াই 'অসমীয়া' এৰি দিয়ে।

বিহাৰী- মাৰোৱাৰী- বঙালীৰ ব্যৱসায়ীৰ লগত কথাত অসমীয়াই 'অসমীয়া' এৰি দিয়ে।

বাগানীয়াৰ লগত অসমীয়াই 'অসমীয়া' এৰি দিয়ে।

আমি নিজৰ লগত কথাত অসমীয়াই 'অসমীয়া' এৰি দিওঁ।

জনজাতি (যাৰ মাতৃভাষা অসমীয়া নহয়)ৰ লগত অসমীয়াই 'অসমীয়া' এৰি দিয়ে।

সকলোৱে মিলি কিম্ভূত কিমাকাৰ ৰূপ দিছে আমাৰ ভাষাটোক। আমি সকলোৱে ইমান উৎসাহেৰে এই ধ্বংস কৰিছো যে অসমীয়া ভাষা বা জাতিৰ সংকট হৈছে বুলি ৰাউচি জুৰিবৰ আমাৰ আচলতে একো অধিকাৰ নাই।

এই চিঞৰ বাথৰ এসোপা দুষ্ট-দগাবাজৰ বদমাচিৰ বাহিৰ একো নহয়।

<u>সূচীপত্র</u>


**প্ৰবন্ধ সংকলনঃ**
১) বুপকোঁৱৰ জ্যোতি প্ৰসাদ

**গল্প সংকলনঃ**
২) ত্ৰিধাৰা
৩) ৰাণীৰ গা ধোৱা ঘাট
৪) মৃত্যুস্মৰ

**উপন্যাসঃ**
৫) জীৱাশ্ম

**আত্মকথা / জীৱনীভিত্তিকঃ**
৬) গানৰ প্ৰতিমা প্ৰাণৰ প্ৰতিমা
৭) কেইজনমান গণিতজ্ঞৰ জীৱন আৰু কৃতি

**শিশুগ্ৰন্থঃ**
৮) পদ্মনাথ গোঁহাঞি বৰুৱা
৯) নেতাজী সুভাষ চন্দ্ৰ বসু
১০) দেশভক্ত তৰুণৰাম ফুকন
১১) বাপুজী
১২) লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেল
১৩) নোবেল বঁটাপ্ৰাপক শ্ৰেষ্ঠ ভাৰতীয়
১৪) পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱা

**কবিতা সংকলনঃ**
১৫) বোধিদ্ৰুম
১৬) বাৰে-বাংকৰা

**কাহিনী/আখ্যানমূলকঃ**
১৭) কৃষ্ণ কথামৃত

**স্বাস্থ্য সম্বন্ধীয়ঃ**
১৮) ছাত্ৰ-ছাত্ৰীৰ বাবে যোগাভ্যাস
১৯) স্বাস্থ্য ৰক্ষাত নিয়মিত যোগাভ্যাস
২০) প্ৰাণায়াম আৰু প্ৰাকৃতিক চিকিৎসাৰে ৰোগ নিৰাময়
২১) যোগাভ্যাস

**অনুবাদঃ**
২২) পণ্ডিত নাৰায়ণ বিৰচিত হিতোপদেশ

**নাটক/চিত্ৰনাট্যঃ**
২৩) অংকীয়া নাট (বিচাৰ আৰু বিশ্লেষণ)

**সংগীতঃ**
২৪) লোকগীত সঞ্চয়ন

**বাতৰি কাকতৰ পৰা -**

**দৈনিক জনমভূমিঃ**
২৫) নবীন চৌধুৰীৰ গল্প সমগ্ৰ
২৬) ফেচবুকত তুমি

**সাদিনঃ**
২৭) আহত আত্মা
২৮) কৰ্ণৰ স্বগতোক্তি
২৯) ফুলেশ্বৰী দৈমাৰী
৩০) সৌৰভ

**দৈনিক অগ্ৰদূতঃ**
৩১) চিন্তা বিচিত্ৰা
৩২) কবিতা- বিচাৰ
৩৩) কবিতাৰ পথাৰ
৩৪) মাটিৰ মিতিৰালি
৩৫) ক/ চিঞৰ
খ/ অবৰুদ্ধ মুক্তি প্ৰয়াস
গ/ বেবেৰিবাং আঁক-বাঁক
ঘ/ নিশান্তৰ প্ৰশান্ত প্ৰত্যয়
৩৬) Gems of Life
৩৭) চিন্তন বিতান
৩৮) তথাপি প্ৰশ্ন বৈধ অবৈধ
৩৯) অনিৰুদ্ধ
৪০) কথাবোৰ সঁচা নহ'বও পাৰে
৪১) বিষ্ণুপ্ৰিয়া মণিপুৰী
৪২) সংগম
৪৩) গানে গানে সুৰীয়া গধূলি

**দৈনিক অসমঃ**
৪৪) অচিন ঘাটৰ কৰুণ সুৰ
৪৫) আহিনা বৰকলিতা
৪৬) সূৰ্য্য উঠা দেশত
৪৭) History of Education among the Bodos
৪৮) Dipa karmakar - in Perfect Balance

৪৯) গছে-বনে সেউজীয়া ধুনীয়া ধৰণী
৫০) আস্থাহীনতাৰ বিপৰীতে
৫১) শশীধৰ নাথঃ অভিনন্দন গ্ৰন্থ
৫২) ফাগুনত প্ৰেমৰ বতৰা
৫৩) কলিজাৰ ৰণক্ষেত্ৰ
৫৪) শিপাৰ চিনাকি

**The ASSAM TRIBUNE :**

৫৫) Grade IV….The Story Behind
৫৬) Jnan Bijnanar Rasal Kotha
৫৭) Kalakar Nuruddin Ahmed – Jibon Aru Sadhona
৫৮) Adhunik Asomiya Kobita

## প্ৰবন্ধ সংকলনঃ




**ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ**
**লেখক - হৰেন্দ্ৰ নাথ শৰ্মা**
**প্ৰকাশক - জাৰ্ণাল এম্পৰিয়াম**
**মূল্য - ৪০ টকা**

জ্যোতিপ্ৰসাদৰ জীৱন কৰ্ম, অসমীয়া সংস্কৃতি- বৈপ্লৱিক চিন্তাধাৰা, ঐক্য সম্প্ৰীতি, নাটকত নাৰী, কথাছবিৰ জন্মদাতা, কাব্য কলাকাৰ, জনমানস আৰু জ্যোতি চেতনা নাট্য প্ৰতিভাৰ বিষয়ক লৈ আঠোটা ভাগত ভগাই বিশ্লেষণ কৰিছে প্ৰবন্ধকাৰে। গ্ৰন্থখনত জ্যোতিপ্ৰসাদৰ বংশলতা, প্ৰবন্ধৰ মাজত কবিতা-গীতৰ ছবি, কথাছবি নিৰ্মাণ, ৰাজনীতি, সংস্কৃতিৰ এটা আভাস দাঙি ধৰিবলৈ চেষ্টা কৰিছে।

## গল্প সংকলনঃ



**ত্ৰিধাৰা**
**লেখিকা - অনুপমা দেবী, নিৰুপমা মিশ্ৰ, প্ৰজ্ঞা গোস্বামী**
**প্ৰকাশক - চন্দ্ৰ প্ৰকাশ**
**মূল্য - ১৪০ টকা**

প্ৰেম, বিশ্বাস, হিংসাৰ অময়া ধাৰাৰ প্ৰতিবাদী সত্তা স্বৰূপে এই গল্পসমূহ ৰচনা কৰিছে। তিনি ভগ্নীৰ ২১ টা গল্পৰ সমাহাৰেৰে ১২০ পৃষ্ঠাৰ এই কিতাপখন। বিবেকবান মানুহ? সন্দেহ! এইবিলাক শব্দই মানুহক ভিতৰি ভিতৰি খাই পেলাইছে। যন্ত্ৰণা, চিঞৰ এইবোৰৰ পৰা আঁতৰত থাকি মানুহৰ সংগ বিচৰাৰ কথাকে কৈছে।




**ৰাণীৰ গা ধোৱা ঘাট**
**লেখিকা - মনোৰমা দাস মেধি**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ১৩০ টকা**

ৰহস্য, মৃত্যুৰ মাজেৰে আগবাঢ়িছে গ্ৰন্থখন। অপৰাজিতা গল্পত কৈছে- ‘তাইৰ মাতটো এতিয়া অস্পষ্ট গেঙনি। হঠাতে আনখন হাতে তাইৰ ডিঙিটো চেপি ধৰিলে। ডিঙিতেই বৈ গ’ল কঠিন দুহাত। কঠিনৰ পৰা কঠিনতৰ, কঠিনতম। হাত দুখন যেতিয়া শিথিল হ’ল, তেতিয়া তাই ঢলি পৰিছে। কিহবাত আউজাই নথ’লে থিয়কৈ থ’ব নোৱাৰা মাটিৰ পুতলা এটাহে যেন তাই।’ গল্প সংকলনখনত ৰহস্য, মৃত্যু, সন্দেহ, ভ্ৰষ্টাচাৰীৰ চেহেৰাৰ বিৱৰণ পোৱা যায়।




**মৃত্যুস্মৰ**
**লেখক - সিদ্ধাৰ্থ শংকৰ বেজবৰুৱা**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ১৫০ টকা**

বৈতৰণীত গধূলি, উৰণীয়া বেলুনৰ ছাঁ, জগৰাবাৰীৰ ভুত, এন. আই. টি, গংগাজল আদি ১৪ টা গল্পৰ মাজেৰে প্ৰেম, বিশ্বাস, সততাৰ অভাববোধ ঘটা সমাজখনৰ বিৰুদ্ধে যেন এই ৰচনা কৰিছে। মৃত্যুস্মৰ গল্পটিত লিখিছে –

‘মৃত মই, কিবোৰ ভাবি পৰি আছো জনশূন্য হৈ আওহতীয়া পথত? মই কি লাহে লাহে হৈ যাম জাতিস্মৰ বা মৃত্যুস্মৰ? নাজানো কিন্তু মোৰ মৃত চকুৰে মণিব পৰালৈ মই যিমানবোৰ তৰা আকাশত দেখিছো, এই মূহুৰ্তত সিমানবোৰ প্ৰশ্নই আহি মোৰ মৃত মগজুত ভুমুকি মাৰিছেহি।’

আধুনিক গল্পৰ অস্থিৰতা আৰু একে সময়তে বিৰাজমান বহু দৃশ্যপট সন্নিৱিষ্ট কৰা এই গল্পলানি বৰ্তমানৰ অসমীয়া সাহিত্যৰ এক আগ্ৰহণীয় সম্পদ। লেখকৰ সচেতন মনৰ অনুসন্ধিৎসা আৰু দৃষ্টিৰ প্ৰখৰতা শলাগিবলগীয়া।

## উপন্যাসঃ




**জীৱাশ্ম**
**লেখক - কণ্ঠেশ্বৰ স্বৰ্গীয়াৰী**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ১২০ টকা**

মানসিক ৰোগৰ চিৎকাৰ, সন্দেহবাদী মন, ষড়যন্ত্ৰ আদিৰে ভৰপূৰ হৈ উঠিছে উপন্যাসখন। ১৯২ পৃষ্ঠাৰ উপন্যাসখনৰ শেষত লিখিছে– ‘বিদেশী পৰিব্ৰাজক পথী, অচিনাকি পথীয়ে ইয়াত জিৰণি লৈছিল এখন্তেক। কিজানি তাই দিশহাৰা হৈয়ে ইয়াত ৰৈছিলহি। এই ঠাইৰ পৰিৱেশ বোধহয় ভাল নালাগিল। তাই পুনৰ উৰি গুচি গ’ল কোনোবা অজান দেশলৈ।’

## আত্মকথা / জীৱনীভিত্তিকঃ




**গানৰ প্ৰতিমা প্ৰাণৰ প্ৰতিমা**
**লেখিকা - সুৰীতি শৰ্মা ব্ৰহ্মচৌধুৰী**
**প্ৰকাশক - পাঞ্চজন্য**
**মূল্য - ১৫০ টকা**

‘গানৰ প্ৰতিমা প্ৰাণৰ প্ৰতিমা’ কোন বাৰু এই ৰাশিচক্ৰৰ অধিকাৰী? সৌভাগ্যশালী? মনোহৰণকাৰী? কোনেও নাজানে তেতিয়ালৈ কি নাম হ’ব এই শিশুকন্যাটিৰ? এনেদৰে আৰম্ভ কৰা গ্ৰন্থখনত অষ্টাদশ অধ্যায়লৈকে জীৱন–কাহিনী আৰু পিছৰছোৱা প্ৰতিমাৰ কৰণি নাম দি গীতৰ সংযোজনৰ জৰিয়তে কিছুমান ফটো সংযোজন কৰিছে। উক্ত গ্ৰন্থখনেৰে লেখিকাই প্ৰতিমা পাণ্ডেৰ জীৱন আৰু গীতক লিপিবদ্ধ কৰি নৱ প্ৰজন্মলৈ আগুৱাই থৈ গৈছে।




**কেইজনমান গণিতজ্ঞৰ জীৱন আৰু কৃতি**
**লেখক - ড০ মুনীন্দ্ৰ কুমাৰ মজুমদাৰ**
**প্ৰকাশক - এফ. আৰ. ই**
**মূল্য - ৮০ টকা**

আৰ্কিমিডিছ, লীলাৱতী, এৰিথমেটিকা-ডায়’ফান্টাছ, এৰাটস্থেনিছৰ ছীভ, ফাৰ্মাৰ অন্তিম প্ৰমেয়, ফিব’নাকি শ্ৰেণী, প্লেটো, পাইথাগোৰাছ, শ্ৰীনিৱাস ৰামানুজন, ব্ৰহ্মগুপ্তকে ধৰি এঘাৰজন গণিতজ্ঞৰ বিশেষ বুৎপত্তিসমূহৰ আলোচনা, জীৱনপঞ্জী দাঙি ধৰিছে।

গণিতক বিষয় হিচাপে লৈ লেখকে গৱেষণা আৰু গণিতৰ আতংক দূৰ কৰিবলে যাদুৰ লেখীয়া অংক উদ্ভাৱন কৰিছে। গণিতৰ জটিলতা আতঁৰাবলৈ গ্ৰন্থ, লেখনিৰ মাজেৰে মনোৰঞ্জনৰ খোৰাক দিবলৈ চেষ্টা কৰিছে।

## শিশুগ্ৰন্থঃ



**পদ্মনাথ গোঁহাঞি বৰুৱা**
**লেখক - কামাখ্যা চৰণ ভাগবতী**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ২৫ টকা**

জন্ম? শিক্ষা? অসমীয়া ভাষা উন্নতি সাধিনী সভা আৰু জণৰঙ্গমঙ্গলৈ অৱদান? অসম সাহিত্য সভালৈ অৱদান? গোহাঞি বৰুৱাৰ মানুহজন? ইত্যাদি প্ৰশ্নৰ উত্তৰসমূহৰ বহল ভিত্তিত আলোচনা দাঙি ধৰিছে। ৩৭ পৃষ্ঠাৰ গ্ৰন্থখনত ১৫ টা অধ্যায়ত ভাগ কৰি গ্ৰন্থখন সম্পূৰ্ণ কৰিছে। সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীৰ ভূমিকা সম্বলিত গ্ৰন্থখনে সৌষ্ঠৱ বঢ়াইছে।



**নেতাজী সুভাষ চন্দ্ৰ বসু**
**লেখক - অশ্বিনীকুমাৰ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ২৫ টকা**

৩৮ পৃষ্ঠাৰ সৰু কলেবৰৰ গ্ৰন্থখনিৰ মাজেৰে সুভাষ বসুৰ বাল্যকাল, জন্ম, শিক্ষা, ৰাজনীতি জীৱন, ভাৰতীয় জাতীয় বাহিনী গঠন, মৃত্যু আৰু ৰহস্য, মহাত্মা গান্ধীৰ লগত সম্পৰ্ক কেনে আদি কথাবিলাকৰ ওপৰত আলোকপাত কৰা হৈছে? তেওঁৰ ব্যক্তিত্ব আৰু আদৰ্শ তেওঁৰ স্মৰণীয় বাণীকে ধৰি ১০ টা ভাগত ভগাই বিশদভাবে আলোচনা দাঙি ধৰিছে। স্বাধীনতা যুঁজাৰু বসুৰ সাহস, বিক্ৰম, ৰাষ্ট্ৰীয়তাবোধ আৰু স্বাধীনচিতীয়া মনোভাৱৰ বুৰবুৰণি গ্ৰন্থখনৰ মাজত দেখিবলৈ পোৱা যায়।



**দেশভক্ত তৰুণৰাম ফুকন**
**লেখক - অশ্বিনী কুমাৰ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ২০ টকা**

অসম সন্তান স্বাধীনতা যুঁজাৰু ফুকনৰ জন্ম-শিক্ষা-কৰ্ম, সাহিত্যিক জীৱন কেনেকুৱা এইবিলাক কথা আলোচনা কৰা হৈছে। স্বাধীনতা আন্দোলনত তেওঁৰ অৱদান কিমান- তাৰ বিচাৰ কৰা হৈছে। ৰাজনৈতিক কৰ্মী হিচাপে তেওঁৰ অৱস্থান ক'ত- তাৰ বিচাৰ কৰা হৈছে। তেওঁৰ মুখ নিঃসৃত বাণীসমূহক লৈ বিশদ আলোচনাৰ মাধ্যমেৰে ৩১ পৃষ্ঠাত গ্ৰন্থখন সম্পূৰ্ণ কৰিছে। গ্ৰন্থখন শিশু-চেমনীয়া, ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধন হোৱাৰ উদ্দেশ্যে ৰচনা কৰা হৈছে।




**বাপুজী**
**লেখক - থনীন্দ্ৰ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ২০ টকা**

২৬ পৃষ্ঠাৰ গ্ৰন্থখনত মহাত্মা গান্ধীৰ জন্মৰ পৰা মৃত্যুলৈকে ঘটনাৱলী ক্ৰম অনুযায়ী সন্নিৱিষ্ট কৰি গৈছে। গান্ধীজীৰ আত্মশুদ্ধিকৰণ, কুসংগৰ পৰা সৎ সংগলৈ যোৱা, আনক সন্মান জনোৱা আদি কথা গ্ৰন্থখনৰ মাজেৰে অনুধাৱন হয়। গান্ধীৰ জীৱন পৰিক্ৰমাৰ পৰা আদৰ্শখিনি ছাত্ৰ-ছাত্ৰীক দিয়াৰ উদ্দেশ্যেই গ্ৰন্থখন ৰচনা কৰা হৈছে।

**লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেল**
**লেখক - অশ্বিনী কুমাৰ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ২৫ টকা**



স্বাধীন ভাৰতৰ প্ৰথম যুদ্ধ আৰু পেটেল পৰিয়াল, জন্ম আৰু শিক্ষা, ছাত্ৰাৱস্থাৰ দুটি ঘটনা, পেটেলৰ বিবাহ, ৰাজনৈতিক জীৱন, বৰদলিৰ কৃষক আন্দোলন, কৰ্মৰাজি, লৌহ মানৱ পেটেল আদিকে ধৰি ১৪ টা ভাগত ভগাই ৪৭ পৃষ্ঠাত পেটেলৰ জীৱনৰ দৰ্শন প্ৰকাশ কৰিছে। স্বাধীনতা সংগ্ৰামলৈ অৱদান কিমান? উপ প্ৰধানমন্ত্ৰীৰূপে কি কৰিছিল? ভাৰতীয় স্বাধীনতা যুঁজত পৰিয়ালটোৰ অৱদান কিমান? এই গোটেই আলোচনা থাউকতে পোৱাকৈ গ্ৰন্থখনত দাঙি ধৰিছে।

**নোবেল বঁটাপ্ৰাপক শ্ৰেষ্ঠ ভাৰতীয়**
**লেখক - নগেন্দ্ৰ নাথ ভট্টাচাৰ্য্য**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ৩০ টকা**



কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, চন্দ্ৰশেখৰ ভেংকটৰমণ, হৰগোবিন্দ খুৰাণা, মাদাৰ টেৰেছা, সুব্ৰমণিয়ম চন্দ্ৰশেখৰ, অমৰ্ত্য সেন, ভেংকটৰমণ ৰামকৃষ্ণ, কৈলাস সত্যাৰ্থী আৰু নোবেল বঁটাৰ বিচিত্ৰ কাহিনী নামেৰে ৯ টা ভাগত বিভক্ত কৰি নোবেল বিজয়ীসকলৰ চিনাকি দাঙি ধৰিছে। ৫৬ পৃষ্ঠাৰ গ্ৰন্থখনত নোবেল বিজয়ীসকলৰ ৰসাল কাহিনীৰ লগতে তথ্যভিত্তিক বিশ্লেষণ দাঙি ধৰিছে।

**পণ্ডিত প্ৰবৰ আনন্দ ৰাম বৰুৱা**
**লেখক - অশ্বিনী কুমাৰ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ৩০ টকা**



সংস্কৃত কিয় অধ্যয়ন কৰিব লাগে? বিলাতত থাকিও জন্মভূমিক কিয় পাহৰা নাছিল? আনন্দৰাম বৰুৱা সম্পৰ্কে ভিন্নজনে কি কয়? এইসমূহৰে উত্তৰ এই গ্ৰন্থখনৰ মাজেৰে দাঙি ধৰিছে। ১১ টা অধ্যায়ৰ মাজেৰে আনন্দৰামৰ শিক্ষা, জীৱনাদৰ্শন, কৰ্ম, মাতৃভূমিলৈ প্ৰেম সকলো দাঙি ধৰিছে।

## কবিতা সংকলনঃ

**বোধিদ্ৰুম**
**লেখক - গুঞ্জন কাশ্যপ**
**প্ৰকাশক - আলিবাট**
**মূল্য - ১০০ টকা**



আশা-নিৰাশা-প্ৰেম-বিষাদ, ন্যায়-অন্যায়, সময়-দুঃ সময়ৰ বিননি কবিতাসমূহৰ মাজেৰে প্ৰতিভাত হৈ উঠিছে। নিৰাশাৰ মাজতো আশাৰ প্ৰদীপগছি জিলিকি আছে। 'ধুমুহা' কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে আশা-নিৰাশাৰ খেল।

আশাৰ এজাক ধুমহাই/ বুকুৰ নীৰৱতাৰ তলা ভাঙে/ আৰু এৰি যায়/ দুখৰ ক'লা সাজ....! সময়ৰ সোঁতত/ সকলো সলনি হয়/ মাথো থিৰে ৰয়/ হৃদয়ত বিষাদৰ দাগ...।

ৰোমান্টিকতাৰ আভা, চিত্ৰকল্পৰ ব্যৱহাৰ কবিতা গ্ৰন্থখনৰ মাজত প্ৰকাশি উঠিছে।




**বাৰে বাংকৰা**
**লেখক- অশ্বিনী কুমাৰ শৰ্মা**
**প্ৰকাশক- সাংস্কৃতিক মহাসভা**
**মূল্য- ৩৫ টকা**

হাঁহি মানুহৰ পৰম ঔষধ। হাঁহিকে সৰোগত কৰি এই লিমাৰিকসমূহ । হাস্য ব্যংগ কবিতা সমূহ বাৰে বাংকৰা গ্ৰন্থত ব্যংগমূলক সমালোচনাৰ মাজেৰে এটা নতুন পদ্য, এটা নতুন গীত, নতুন পেৰডি, অসমীয়া লিমাৰিক, কোন তেঁও কাৰিকৰ, নতুন অকণি আমি, জোনাকী মেল, মৃত্যু নামেৰে বিভিন্ন ভাগত ভগাই বিভিন্ন ৰসৰ সৃষ্টি কৰিছে।

তেনে লিমাৰিক হ'ল—

১) ৰঙালীত গাবা 'পপ চং'
ভোগালীত খেলিবা পিং পং
খিচা গীত দিছোঁ আমি, নকৰিবা থং

২) ধন্যবাদ শ্ৰদ্ধাৰ 'ভোটাৰ' ভোটৰ বাবে তোমাৰ
গুচাম-সবাৰো দুখ, দেশ কৰিম উদ্ধাৰ
পালেগৈ ৰাজধানী
নাপাবও পাৰোঁ চিনি,
নধৰিব দোষ একো, ক'লো কৰি নমস্কাৰ।

## কাহিনী/আখ্যানমূলকঃ




**কৃষ্ণ কথামৃত**
**লেখক- খগেন্দ্ৰ প্ৰসাদ ডেকা**
**প্ৰকাশক- জ্যোতি প্ৰকাশন**
**মূল্য- ১৮০ টকা**

কৃষ্ণ কোন? সৰ্বাকৰ্ষক কোন? যোগী কোন? আদিৰ উত্তৰ ২২৮ পৃষ্ঠাত ৩২ টা অধ্যায়ত সমাপ্ত কৰিছে। ভাৰতীয় সংস্কৃতিৰ পৰম পুৰূষ কৃষ্ণৰ লীলা, অসুৰ বধ, ভক্তগণক ৰক্ষা, গোপীগণৰ লগত খেলা, কংস বধ আদিৰ সংস্কৃত শ্লোকৰ উদ্ধতিৰে ব্যাখ্যা আগবঢ়াই নিছে। শংকৰদেৱ, ভাগৱত গীতা আদিৰ বিভিন্ন উদ্ধৃতি উল্লেখ কৰিছে। আধ্যাত্মিক চেতনাৰ লগতে মাহাত্ম্য আৰু নবপ্ৰজন্মক আদৰ্শ প্ৰদান কৰাই গ্ৰন্থখনৰ মহৎ উদ্দেশ্য।

## স্বাস্থ্য সম্বন্ধীয়ঃ



**ছাত্ৰ-ছাত্ৰীৰ বাবে যোগাভ্ৰাস**
**লেখক - বসন্ত মজুমদাৰ**
**প্ৰকাশক - ৰেখা প্ৰকাশন**
**মূল্য - ৫০ টকা**

যোগাভ্যাসৰ প্ৰয়োজনীয়তা? যোগ কি? যোগকৰাৰ নিয়ম? যোগ কৰিলে উপকাৰ কি? কেনেদৰে কৰিব? এই সকলোবোৰৰ উত্তৰ ৬৪ পৃষ্ঠাৰ গ্ৰন্থখনত থাউকতে ভৰাই দিছে। যোগ প্ৰশিক্ষকে বৰ্তমান সময়ৰ প্ৰয়োজনীয়তালৈ লক্ষ্য

কৰি ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ কামত প্ৰয়োজন হোৱাকৈ ৰচনা কৰিছে। সচিত্ৰ পুথিখনত যোগ-ব্যায়ামৰ নীতি-নিৰ্দেশনা দি গৈছে।




**স্বাস্থ্য ৰক্ষাত নিয়মিত যৌগাভ্যাস**
**লেখক - বসন্ত মজুমদাৰ**
**প্ৰকাশক - ৰেখা প্ৰকাশন**
**মূল্য - ১০০ টকা**

যোগাভ্যাসৰ প্ৰয়োজনীয়তা কি? এনাৰ্জী, ভাইৰাছৰ পৰা হ'ব পৰা ৰোগ, স্নায়ুতন্ত্ৰ, পাৰ্কিনছন, মাইগ্ৰেন, উচ্চ ৰক্তচাপ ৰোগ, ককাঁলৰ বিষ, জ্বৰ, আসন, প্ৰাণায়াম, হাঁহিৰ উপকাৰ, সূৰ্য নমস্কাৰকে ধৰি ৩৪ টা বিষয়ত ভগাই ১৬০ পৃষ্ঠাত গ্ৰন্থখন সম্পূৰ্ণ কৰিছে। সচিত্ৰ পুথিখনত বৰ্তমান সময়ত যোগৰ প্ৰাধান্য ৰাখি গুৰুত্বপূৰ্ণ ৰোগ সমূহৰো উল্লেখ কৰিছে। বৰ্তমান বিশ্বত ভাৰতবৰ্ষৰ লগতে যোগৰ সুকীয়া পৰিচয় লাভ কৰিছে। বিজ্ঞানসন্মত চিকিৎসাৰ পদ্ধতিগত অনুশীলনৰূপে যোগাভ্যাসে মানুহৰ উপকাৰ সাধিছে।



**প্ৰাণায়াম আৰু প্ৰাকৃতিক চিকিৎসাৰে ৰোগ নিৰাময়**
**লেখক - বসন্ত মজুমদাৰ**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ৪০ টকা**

প্ৰাণায়াম কিয় কৰা উচিত? ধ্যান কি? ব্যায়াম কি? প্ৰাকৃতিক চিকিৎসাৰদাৰা কি লাভ হ'ব? ডাইবেটিছত জল চিকিৎসা ভালনে? মেডবহুলতা কমাবলৈ কি যোগ কৰা উচিত?....ইত্যাদি বহু প্ৰশ্নৰ উত্তৰ একেলগে এই গ্ৰন্থখনত দাঙি ধৰিছে। চিত্ৰ পদ্ধতিৰ সহায়ত কিছুমান যোগৰ নীতি নিৰ্দেশনা দাঙি ধৰিছে।




**যোগাভ্যাস**
**লেখক - বসন্ত মজুমদাৰ**
**প্ৰকাশক – পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ৪০ টকা**

যোগ কি আৰু কিয় প্ৰয়োজন? অষ্টাংগ যোগ কি? ষট কৰ্ম কি? শলভাসন, ধনুৰাসন, নৌকাসন, হলাসন আদি আসনৰ কি প্ৰয়োজন? আসন প্ৰণালী আৰু উপকাৰিতা সম্বন্ধে জানিবলৈ এই কিতাপখনত সম্পূৰ্ণ বিৱৰণ দিছে।
৮০ পৃষ্ঠাৰ গ্ৰন্থখনত ৫৯ টা খণ্ডত ভগাই যোগৰ চিত্ৰযুক্ত বিৱৰণ দি গৈছে।

## অনুবাদঃ




**পণ্ডিত নাৰায়ণ বিৰচিত হিতোপদেশ**
**লেখক - জগন্নাথ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ২৫০ টকা**

সাধাৰণ, ধনহীন, সাধনহীন যদিও নিজৰ বুদ্ধি-কৌশল আৰু মিত্ৰতাৰ বলত কেনেদৰে অসাধ্য সাধন কৰিব পাৰি গ্ৰন্থখনৰ মাজেৰে তাকে দেখুৱাইছে। প্ৰাচীন ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ধ্বজাবাহক স্বৰূপ 'হিতোপদেশ'ত মিত্ৰলাভ, সুহৃদভেদ, বিগ্ৰহ, সন্ধি নামেৰে চাৰিটা ভাগত ৰচনা কৰা হৈছে। অনুদিত গ্ৰন্থখনত মূল সংস্কৃত শ্লোকসমূহ উল্লেখৰ লগতে অসমীয়া ভাঙনি কৰি গৈছে। ২৫৪ পৃষ্ঠাত ইয়াক সম্পূৰ্ণ কৰি উলিয়াইছে।

## নাটক/চিত্ৰনাট্যঃ




**অংকীয়া নাট (বিচাৰ আৰু বিশ্লেষণ)**
**লেখক - তপন বৈশ্য**
**প্ৰকাশক - পাঞ্চজন্য**
**মূল্য - ১২০ টকা**

অংকীয়া নাটকত থলুৱা লোক নাট্যানুষ্ঠানৰ প্ৰভাৱ, নাট ৰচনাৰ কৌশল, বৈশিষ্ট্য, উপাদান, ৰস, শ্ৰেণীবিভাগ, ক্ৰম, পঞ্চসন্ধি, পঞ্চঅৱস্থা, সংস্কৃত নাটকৰ লগত পাৰ্থক্য, সাদৃশ্য-বৈসাদৃশ্যসমূহ আলোচনা আৰু বিশ্লেষণৰ মাজেৰে দাঙি ধৰিছে। গ্ৰন্থখন ২৪৭ পৃষ্ঠাত অংকীয়া নাটকৰ উৎপত্তি আৰু বিকাশ, ৰুক্মিণীহৰণ নাট, কালীয় দমন নাট, অৰ্জুন ভঞ্জন নাট, জন্ম যাত্ৰা, সুভদ্ৰাহৰণ, শব্দাৰ্থ নামেৰে সাতোটা খণ্ডত ভাগ কৰিছে। গ্ৰন্থখনত শংকৰদেৱৰ নাটসমূহৰ আলোচনা দাঙি ধৰিছে।

## সংগীতঃ




**লোকগীত সঞ্চয়ন**
**লেখক - হৰেন্দ্ৰনাথ শৰ্মা**
**প্ৰকাশক - শৰ্মা প্ৰকাশন**
**মূল্য - ৮০ টকা**

অনুষ্ঠানমূলক গীত, বিয়াৰ গীত, তোলনীবিয়া, ভেকুলী বিয়া, মহখেদা, ভঠেলীৰ গীত, আইৰ নাম, লক্ষ্মীৰ নাম, বাৰমাহী গীত, গৰখীয়া গীত, নিচুকণি গীত ইত্যাদি গীতৰ সমষ্টিৰে সংকলনখনি ৰচনা কৰিছে। ৪০ টা ভাগত ভাগ কৰি ১০৬ পৃষ্ঠাত সমাপ্ত কৰিছে। আমাৰ সমাজত বিলুপ্ত হ'ব ধৰা পুৰণি লোক কৃষ্টিৰ গীতসমূহক ধৰি ৰখাৰ চেষ্টা কৰিছে।

## বাতৰি কাকতৰ পৰা -

## দৈনিক জনমভূমিঃ

**নবীন চৌধুৰীৰ গল্প সমগ্ৰ**
**আলোচক - ডঃ নগেন কলিতা**

৩৩ টা গল্পৰ সংকলন। অনবৰতে দেখা পাই থকা সমাজখনেই তেওঁৰ গল্পৰ বিষয়বস্তু। গতিকে ভিন্ন স্বাদৰ। 'বৰফৰ উত্তাপ' শীৰ্ষক গল্পটোত নায়ক-নায়িকাৰ উন্মেষ ঘটা প্ৰেমৰ কথা যৌৱনত মুখ ফুটাই ক'ব নোৱাৰাৰ পৰিণতিতে নায়িকা স্মৃতিৰ অন্য এজনৰ সৈতে বিয়া ঠিক হয়। নায়ক শান্তনু নিৰাশ হৈ আঁতৰি যায়।

‘হৃদয় এখন নৈ’ শীৰ্ষক গল্পটোত মানৱী প্ৰেমৰ সুন্দৰ প্ৰতিফলন ঘটিছে। মানুহৰ প্ৰতি থকা মানুহৰ ভালপোৱাই কেনেদৰে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে, তেনেদৰে ‘মাজুলীত ৰ’দ আৰু বৰষুণ’ গল্পটোতো মানৱতাৰ জয়গান ঘোষণা কৰা হৈছে।

‘সিও এক বসন্তৰেই গান’ গল্পটোত ডাক্তৰ আৰু ৰোগীৰ আন্তৰিক সম্পৰ্কই কেনেদৰে একোগৰাকী ৰোগীক সুস্থ কৰি তোলাত সহায় কৰা, ‘ৰক্তদান’ গল্পটোত মানৱতাৰ কথাই ক’বলৈ বিচাৰিছে।

‘বজাৰ’ গল্পটোত নিষ্পেষিতসকলৰ ছবি অংকিত হৈছে। বৰ্তমান সময়ত গা কৰি উঠা নাৰী সৰবৰাহ ঘটনা এটাৰ আলমত নাৰী ব্যৱসায়ীসকলে তেনেদৰে দুখীয়া দৰিদ্ৰ পৰিয়ালবোৰৰ কিশোৰী, গাভৰুসকলক পণ্য দ্ৰব্যৰ দৰে ব্যৱহাৰ কৰিবলৈ লৈছে, সেই কথা ‘বিচ্ছুৰণ’ নামৰ গল্পটোৰ বক্তব্য বিষয়।

আমাৰ সমাজৰ অপশক্তিস্বৰূপ ঘোচখোৰ এচাম বিষয়া-কৰ্মচাৰীৰ চৰিত্ৰিক দিশৰ ওপৰত আলোকপাত কৰা হৈছে ‘হেৰোৱা টকা বিচাৰি’ নামৰ গল্পটোত।

**ফেচবুকত তুমি**
**লেখিকা - স্পনানী গগৈ চেতিয়া**
**প্ৰকাশক - দিগদৰ্শন প্ৰকাশন, যোৰহাট**
**আলোচক - ড° প্ৰণৱ ঢেকিয়াল ফুকন**

কবিয়ে আত্মকথাত উল্লেখ কৰিছে যে এক কাল্পনিক প্ৰেমিকক সন্মুখত ৰাখি প্ৰতিদিনে একোটাকৈ কবিতা ফেচবুকৰ পাতত এৰি দিছিল। ফেচবুকে কবিক যিদৰে মিলনৰ মধুৰ প্ৰাচুৰ্যৰে ওপচাই তুলিছে, একেদৰে কবিৰ অন্তৰত বিৰহৰ দাবানল দাউদাউকৈ জ্বলাই তুলিছে।

ফেচবুকৰ পাতত কবিৰ ত্ৰিছ বছৰ পূৰ্বৰ প্ৰিয়জনৰ সৈতে মিলন হৈছে। কিন্তু কবিয়ে আজি আৰু তেওঁৰ সংগ নিবিচাৰে। বাস্তৱক আওকাণ কৰি কবি আৱেগৰ ঢৌত উটি যাব বিচৰা নাই। কবিয়ে কৈছে-

নিৰ্ল্লজতাৰ শিকলি ভেদি
কিয় উদয় হ’লা তুমি
ত্ৰিছ বছৰ আগৰ
হে’ মহাপূণ্য ঋষি!
এতিয়াতো মই নহওঁ
সেই তৃষ্ণাতুৰা,
আকুলতাৰে
ভৰা চিৰ যৌৱনা....

বাস্তৱ সচেতন কবিয়ে প্ৰিয়জনক কৈছে যে তেওঁৰ প্ৰতি কবিৰ মৰম থাকিব দূৰে দূৰেই-

প্ৰেৰণা মই দিব পাৰো
মৰম মই তোমাক কৰিব পাৰো
কিন্তু দূৰে দূৰেই বন্ধু।

প্ৰথম কবিতাত প্ৰিয়জনৰ সৈতে হোৱা মিলনৰ বাবে ম’বাইলটো কিদৰে কবিৰ বুকুৰ আপোন হৈ পৰিছে তাকে কৈছে। আনহাতে দ্বিতীয়টো কবিতাত ম’বাইলটোৱে কিদৰে কবিৰ সেউজীয়া পৃথিৱী বিৱৰ্ণ কৰি তুলিছে তাক কাব্যিক ৰূপ দিছে।

মই ভাল পাইছিলো,
গছ-লতিকা আৰু ফুলৰ সুঘ্ৰাণ।
এতিয়াতো সময় নাই বন্ধু।
এতিয়া মোৰ কামনাত পৰি ৰয়,
কেৱল তোমাৰ নিৰ্যাস!!

সাদিনঃ

**আহত আত্মা**
**লেখক - মির্জা হুমায়ুন কবীৰ**
**প্ৰকাশক - ছেকেন্দৰ হালি আহমেদ**
**আলোচক - আক্ৰম হুছেইন চিকন্দাৰ**

৪২ টা কবিতা। অশান্ত দেশ অশান্ত বিশ্ব; সৰ্বত্ৰে আজি মানৱতাৰ স্খলন। স্বদেশ-স্বজাতি-স্বধৰ্ম ৰক্ষাৰ নামত দেশে দেশে মানৱতাক দিয়া হৈছে জীৱন্ত কবৰ। প্ৰকৃতিৰ নিৰ্মল জলৰাশি এৰি তৃষ্ণাতুৰ মানুহে দৌৰিছে ভ্ৰান্ত মৰীচিকাৰ পম খেদি। ফুলতে ক্ৰমান্বয়ে চৰম হাহাকাৰৰ কৰাল গ্ৰাসত আৱদ্ধ হৈ পৰিছে সুখ প্ৰত্যাশী মানৱ সমাজ। অৱক্ষয়ৰ অতল গহ্বৰৰ পৰা মানৱকুলক 'আহত আত্মা' শীৰ্ষক কাব্য সংকলনৰ জৰিয়তে এক সবল প্ৰতিবাদী কণ্ঠেৰে মুক্তিৰ সন্ধান দিব বিচাৰিছে।

এই সংকলনখন স্বনামধন্য সাহিত্যিক প্ৰয়াত ছৈয়দ আব্দুল মালিক ছাৰ আৰু বৰেণ্য শিল্পী প্ৰয়াত মানৱেন্দ্ৰ কলিতাদেৱৰ নামত উচৰ্গা কৰিছে।

**কৰ্ণৰ স্বগতোক্তি**
**লেখিকা - দীপিকা শইকীয়া**
**আলোচক - ইছমাইল হুছেইন**

কবি দীপিকা শইকীয়াই এটা কাহিনী আৰু এটা চৰিত্ৰকেন্দ্ৰিক 'মাত্ৰ এটা' দীৰ্ঘ কবিতাৰ এই কাব্যগ্ৰন্থখনৰ মাজেৰে কাব্যিক চিন্তাৰ গাঢ়তা, গদ্যময় কাহিনীক কাব্যভাষাৰে সজাই তুলি শিল্পৰূপ দিয়াৰ দক্ষতা আৰু নিৰ্মাণ পুনঃনিৰ্মাণৰ কৌশলৰ এক আভাস দাঙি ধৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে, যুদ্ধক চিত্ৰকল্পলৈ পৰ্যবসিত কৰি নাৰীসত্তাক নদীৰ সৈতে ৰিজাই কবিগৰাকীয়ে কবিতাৰ মাজে মাজে নিখুঁত ৰূপকলাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। যেনে- 'যুদ্ধ, সৌৱা বৰ ঢৌ তুলি নাচিছে, নদীৰ বুকু বিচিত্ৰ, সোঁতৰ লহৰ ঠিক নাৰীৰ দৰে ৰহস্যময় ঢৌ; নদীয়েইতো নাৰী নাৰীয়েই যদি নাৰী!'

যুদ্ধকো নাৰীৰ সৈতে তুলনা কৰিব পৰাটো কম কথা নহয়। তেওঁৰ কাব্যিক উদ্ভাৱনী শক্তিৰ অন্যতম পৰিচয়। যেনে- 'অন্তহীন লালসাৰ লীলাভূমি এয়া। ক্ষমতা; ইয়ো এক আচৰিত ৰিপু। ই কিয় অন্ধকাৰ গহ্বৰলৈ টানি নিয়ে সকলোকে নিজৰ আয়ত্বলৈ, মানুহৰ মগজুত কাল ধুমুহা বোৱাই কিয় পাতে অস্থায়ী উৎসৱ?'

কৰ্ণৰ চৰিত্ৰ আৰু যুদ্ধৰ পৰিসমাপ্তিৰ মাজেৰে কবিগৰাকীয়ে জীৱনৰ অৰ্থ আৰু উপলব্ধিক গাঢ়তা দিয়াৰ উদ্দেশ্যেৰে যুদ্ধৰ দৰে জয়-পৰাজয় বা এপক্ষৰ আনন্দ আৰু আন পক্ষৰ বিষাদৰ ক্ষণিক ঘটনাৰাজিক 'অস্থায়ী উৎসৱ' বুলি অভিহিত কৰিছে।

**ফুলেশ্বৰী দৈমাৰী**
**লেখক - সীতানাথ ব্ৰহ্মচৌধুৰী**
**আলোচক - অমিয় কুমাৰ দাস**

'লিখিছে দীঘল চিঠি, তাৰ গাৰ সুগন্ধিৰে সনা, আহিবা বন্ধু, আমাৰ ঘৰত ১৩ আঘোণৰ দিনা' চিঠিত দুডাল চুলি, দুইডাল সুতা দখনাৰ, ফুলেশ্বৰী দৈমাৰীয়ে পঠাইছে নিমন্ত্ৰণী তাৰ।'

‘খালা বমা জীৱনৰ বাট। জীৱনৰ বাট আমি অতিক্ৰম কৰোঁ পাহাৰ, পৰ্বত, হাবি-বননি, আৰু মৰুভূমিৰ মাজেদি। বাটত আমি কেতিয়াবা বনৰীয়া ফুল দুই-চাৰিটা তুলি লওঁ। এইবোৰ কবিতা সেই ধৰণৰে- বাটৰ কাষৰ বনৰীয়া ফুল। একেলগে গাঠি দিলো।’ কবিতা কেইটা পদূলিমুখত হালি-জালি থকা একোটা আমোলমোল বনৰীয়া ফুল। ‘লঙা’ৰ পাৰৰ আঁহতৰ তলত বহি প্ৰিয়তমৰ স’তে ৰচা সপোনবোৰ দিঠকত পৰিণত হওক বা নহওক, সেই সপোনেই হৈছে সহজ সৰল গঞা জীৱনৰ আধাৰ।

‘বাগেশ্বৰী’ পাহাৰৰ শিলছটাত বহি থুন্দি থুন্দি লিখা প্ৰেমিক যুগলৰ সেই নাম মাথোঁ ‘স্মৃতি’য়েই নহয় – ই হৈছে মানুহখিনিৰ পৰিচয়, ইতিহাস। যি ইতিহাস আজি বিভ্ৰান্ত হোৱাৰ ফলতেই ‘গৌৰাঙৰ ঘাট’ত আৰু শালনিৰ আঁৰে আঁৰে মানৱতা ভূ-লুণ্ঠিত হ’ব লাগিছে। কবিয়ে অনিচ্ছয়তাৰ হাতে হাত ধৰি আশাৰ স্মৃতি কাতৰ হৈ পৰিছে। ‘নিয়ন্ত্ৰণ’ কবিতাত সেই সুৰ বাজি উঠিছে।

মই জানো, নাহিবা নিশ্চয়! তেও তোৰ ৰ’ল নিয়ন্ত্ৰণ। এই বাৰ্তাৰে কবিয়ে কবিতা লিখি আহিছে নিৰৱচ্ছিন্নভাৱে; আৰু সমান্তৰালভাৱে সাধনা কৰিছে জীৱন চৰ্যা। আশাৰ সমান্তৰালভাৱে ইপ্সিত সম্ভাৱনাতে পাৰ হৈছে মানুহৰ প্ৰতিটো পল।

**সৌৰভ**
**কবি পৰমেশ শীলঃ জীৱন আৰু কাব্য পৰিক্ৰমা**
**আলোচক - দীনেশ গোস্বামী**

যোৱা শতিকাৰ চল্লিশ-পঞ্চাশৰ দশকৰ পৰা কবিতা আৰু অন্যান্য নিবন্ধ ৰচনা কৰা কবি সাহিত্যিক পৰমেশ শীলৰো জীৱিত কালত তেওঁৰ সাহিত্য কৃতি সম্পৰ্কে বিশেষ আলোচনা হোৱা দেখা নগ’ল। প্ৰথম মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা হৈছে এখন স্মৃতিগ্ৰন্থঃ ‘সৌৰভঃ কবি পৰমেশ শীলঃ জীৱন আৰু কাব্য পৰিক্ৰমা’।

‘ফুলিল মালতী ফুল, ফুলি সৰি গ’ল বিলোৱা সৌৰভ মাথোঁ জগতত ৰ’ল ভাগি গ’ল বীণখনি, চিগি গ’ল তাঁৰ, ৰৈ গ’ল অৱশেষ অমিয়া জোকাৰ’। শীলদেৱেও তেওঁৰ জীৱনৰ সৌৰভ এৰি থৈ গ’ল। স্মৃতিগ্ৰন্থখনত কবি শীলৰ বাল্যবন্ধু, সহকৰ্মী, সাহিত্য সতীৰ্থ, ওচৰ চুবুৰীয়া আৰু সম্বন্ধীয় বহু কেইজনে প্ৰয়াত শীলদেৱৰ ব্যক্তিত্বৰ বিভিন্ন দিশত আলোকপাত কৰিছে।

পৰমেশ শীলৰ ওচৰ চুবুৰীয়া ভাৰত চন্দ্ৰ তালুকদাৰৰ ‘প্ৰতিবেশী পৰমেশ শীলৰ সোঁৱৰণত’ এটি উল্লেখযোগ্য নিবন্ধ। ইংৰাজীত এষাৰ কথা আছে- ‘No name is a hero to his neighbour’ অৰ্থাৎ ওচৰ চুবুৰীয়াই নায়কোচিত গুণ থাকিলেও প্ৰতিবেশীক নায়ক বুলি নাভাৱে। অৰ্থাৎ প্ৰতিবেশীয়ে নায়কোচিত গুণসম্পন্ন প্ৰতিবেশীজনক নায়ক বুলি ক’বলৈ টান পায়।

শ্ৰী তালুকদাৰে লিখিছে – তেখেতে মোৰ প্ৰতিবেশী হোৱাৰ সময়ত আমাৰ আনন্দ নগৰ ঠাইখনৰ ৰাস্তা-ঘাটৰ ভাল ব্যৱস্থা, ৰাজহুৱা অনুষ্ঠান আদি নাছিল। সেই সময়ৰ উন্নয়নৰ কামত তেখেতে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ‘ৰাজহুৱা উদ্দেশ্যেৰে অচুতীয়াকৈ ৰখা এডোখৰ মাটি তেখেতে বেদখল মুক্ত কৰি তাত ৰাজহুৱা নামঘৰ, ক্লাৱঘৰ প্ৰতিষ্ঠাত আগভাগ লৈছিল’। আকৌ – আজিৰ পৰা পাঁচ-ছয় বছৰৰ আগতে আনন্দ নগৰ অঞ্চলত খোৱা পানীৰ হাঁহাঁকাৰ হৈছিল। গুৱাহাটীৰ তেল শোধনাগাৰৰ কৰ্তৃপক্ষৰ অনুদানেৰে গঢ়ি উঠা বৰ্তমানৰ আনন্দ নগৰ খোৱা পানী আঁচনিখন সজীৱ কৰি তোলাৰ ক্ষেত্ৰতো তেখেতে অতি কৌশল আৰু আগ্ৰহেৰে বিশেষ ভুমিকা পালন কৰিছিল। বৰ্তমান এই অঞ্চলৰ পাহাৰ আৰু ভৈয়ামত থকা বহুকেইটা পৰিয়ালে খোৱা পানী পাই আছে।

ভাষাবিদ ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক সৰ্বভাৰতীয় পটভূমিত ‘ইনচান-ই-কামাল’ আখ্যা দিছিল। আনন্দ নগৰৰ বাসিন্দা পৰমেশ শীলকো সীমিত পৰিৱেশত ‘ইনচান-ই-কামাল’ আখ্যা দিব পাৰি।

**দৈনিক অগ্ৰদূতঃ**

**চিন্তা বিচিত্ৰা**
**লেখক - মদন চন্দ্ৰ দাস**
**আলোচক - ৰাজীৱ আহমেদ**

প্ৰৱন্ধকাৰ মদন চন্দ্ৰ দাসৰ ‘চিন্তা বিচিত্ৰা’ শীৰ্ষক গ্ৰন্থখনত মুঠ ২০ টা তথ্যসম্বলিত প্ৰৱন্ধ সন্নিৱিষ্ট হৈছে। প্ৰৱন্ধসমূহৰ বিষয়বস্তুৰ নতুনত্ব আছে। লগতে এইসমূহৰ ভাষা বলিষ্ঠ। প্ৰৱন্ধসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। এভাগ সাময়িক আৰু আনভাগ চিৰন্তন। ‘জনজাতিকৰণ আৰু ৰাষ্ট্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱ’, ‘ভাৰতক সঘন ৰাজনৈতিক পৰিৱৰ্তনে বিঘ্নিত কৰিছে’, ‘শিশু শ্ৰমিক আইন আৰু ইয়াৰ ৰূপায়ণ’ আদি সাময়িক বিষয়বস্তুৰ প্ৰৱন্ধ। আনহাতে, ‘পাগল আৰু পাগলামি’, ‘সুখ’, ‘সত্য-অসত্য’ আদি প্ৰৱন্ধ চিৰন্তন বিষয়বস্তুক লৈ যুগুত কৰা। প্ৰৱন্ধসমূহ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে। অৱশ্যে বিতৰ্কইহে সুসাহিত্যিকৰ সৃষ্টি কৰিব পাৰে।

**কবিতা-বিচাৰ**
**লেখিকা - ড° লীনা ডেকা**
**প্ৰকাশক - ডেকা পাব্লিকেছন, বিদ্যাপুৰ, নলবাৰী**
**মূল্য - ১৩০ টকা**

ভালেমান কবিতা বিষয়ক মূল্যৱান গ্ৰন্থ অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰী আৰু কবিতাৰ স'তে সম্পৰ্কিতলোকৰ কামত অহাকৈ আৰু সামগ্ৰিকভাৱে অসমীয়া কাব্য প্ৰবাহৰ প্ৰাচীন, ৰোমান্টিক আৰু আধুনিক ধাৰাৰ ওপৰত আলোকপাত কৰাৰ্থে প্ৰতিটো যুগৰ বাৰ্তাবাহক কবিৰ মানসপটত প্ৰতিবিম্বিত আবেদনৰ ওপৰত আলোচনা কৰা ড° লীনা ডেকাৰ ‘কবিতা-বিচাৰ’ ৰ অন্তৰ্ভুক্ত ২৫ টা সঙ্কলিত প্ৰৱন্ধ সংকলন।

**কবিতা পথাৰ**
**সম্পাদক - ওৱাহিদুজ জামান**
**প্ৰকাশক - কবিতাৰ খেতিপথাৰ গোট**
**মূল্য - ৫০ টকা**

এই কবিতা সংকলনখনত ন-পুৰণি, ১০২ গৰাকী কবিৰ একোটিকৈ কবিতা অন্তৰ্ভুক্ত কৰা হৈছে। যাইকৈ কবিতাৰ পথাৰত নকৈ খেতি আৰম্ভ কৰা, তেনেকৈ প্ৰকাশৰ সুবিধা নোপোৱা আৰু কিছু অনাদৃত কবিক উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ কাৰণেই সম্পাদক ওৱাহিদুজ জামানে অতি আগ্ৰহেৰে আলেফুলে এই কবিগোটৰ কবিতাক পাঠকৰ মাজলৈ উলিয়াই দিছে আৰু আশা কৰিছে ৰে এইসকল সৃষ্টিকাৰৰ কাব্য সাধনাই এদিন সাফল্য অৰ্জন কৰিব।

**মাটিৰ মিতিৰালি**
**লেখক - কমল কুমাৰ জৈন**
**প্ৰকাশক - জোনাক প্ৰকাশন**
**মূল্য - ১০০ টকা**

এই কবিতাপুথিখনত সৰ্বমুঠ ৬৩ টা কবিতাই ঠাই পাইছে। কবিতাসমূহৰ হৃদয়ত ব্যক্তি আৰু সমাজ জীৱনৰ অনুভূতিৰ অনুৰণন ঘটিছে। কে'বাদশকো কাব্য সাধনাত আত্মনিয়োগ কৰি থকা কবি কমল কুমাৰ জৈনৰ কবিতাই পাঠকৰ প্ৰাণ চুব পাৰিব।

**ক/ চিঞৰ**
**খ/ অৱৰুদ্ধ মুক্তি প্ৰয়াস**
**গ/ বেবেৰিবাং আঁক-বাঁক**
**ঘ/ নিশান্তৰ প্ৰশান্ত প্ৰত্যয়**
**লেখক - শৰৎ চন্দ্ৰ বৰ'**
**প্ৰকাশিকা - মীৰা বৰ'**

ভিন্ন অনুভৱৰ কবিতা সন্নিৱিষ্ট কৰা হৈছে এই কবিতা পুথিখনত। কবিয়ে তেওঁৰ কবিতা সমগ্ৰৰ বিষয়ে নিজেই এনেদৰে কৈছে- 'সৰু সৰু শিলগুটি পেলাই দি তৃষ্ণাতুৰ কাউৰী এটিয়ে কলহৰ তলিৰ পানীৰে নিজৰ তৃষ্ণা নিবাৰণ কৰাৰ দৰে, বিভিন্ন সময়, পৰিৱেশ আৰু পৰিস্থিতিত মনলৈ অহা ভাব সজাই-পৰাই কবিতাৰ ৰূপ দি আনন্দ লভাৰ চেষ্টা কৰি আহিছো।' কবিয়ে আকৌ কৈছে- 'ভাল লাগিলে, মন গ'লে কেতিয়াবা সোঁতৰ বিপৰীতে গতি কৰি উটি-ভাঁহি গৈছো। কেতিয়াবা সোঁতৰ বিপৰীতে গতি কৰাৰো স্পৃহা জাগে বিসংগতিৰ বিপক্ষে। আত্মপক্ষৰ সমৰ্থন, আপত্তি-বিপত্তি নাইবা প্ৰতিবাদৰ খাতিৰত শব্দবোৰক আঁজুৰি আনি কেতিয়াবা অলংকাৰ পিন্ধাই কেতিয়াবা উলংগভাৱেই ভাব আৰু কল্পনাৰ গজাল-হাতুৰীৰে জোৰা-টাপলি মাৰি যোৱাৰ মানসিকতাক কাৰ্যত পৰিণত কৰাৰ প্ৰয়াস কৰি আহিছো।'

**(১১/০৬/২০১৮)**
**Gems of life**
**লেখক - গিৰীশ চন্দ্ৰ ভট্টাচাৰ্য**
**প্ৰকাশক - পৃথিৱী প্ৰকাশন, বেলতলা,গুৱাহাটী**
**আলোচক - মথুৰা মোহন ডেকা**

লেখকৰ আছে Pure Mathemathicsৰ বিমূৰ্ত যুক্তিৰ প্ৰভাৱ। যি কাৰণত গিৰীশ চন্দ্ৰ ভট্টাচাৰ্যক বহুতো অকল্পনীয় ধুমুহাইও তলাব পৰা নাই। ধুমুহাই যিমানে তেওঁক জুৰুলা কৰিব বিচাৰিছে সিমানে তেওঁ বটবৃক্ষৰ দৰে মাটিৰ বহু তললৈ ঘাইশিপা প্ৰসাৰিত কৰিছে। আজি সুদীৰ্ঘ ১৬ বছৰ কেঞ্চাৰ ৰোগী হৈ ডিঙিত লগোৱা মেচিনেৰে কথা কৈ জীৱন সংগ্ৰামত অপৰাজেয় অক্লান্ত পথিক হৈ আছে।

তেওঁৰ এটা সুন্দৰ মন আছে। এনে সুন্দৰতাৰ কাৰণেই তেওঁৰ প্ৰায়বোৰ কাৰ্যকলাপতে অনন্য সৌন্দৰ্যবোধ আৰু গভীৰ জীৱনবোধ প্ৰতিফলিত হয়।

'Gems of life' পৃথিৱীৰ বিখ্যাত পণ্ডিত দাৰ্শনিক, বিজ্ঞানী, ৰাজনীতিবিদ, কবি, সাহিত্যিক আদি মনীষীসকলৰ কন্ঠেৰে নিগৰিত মূল্যবান আপ্তবাক্যৰ এখন বিৰল সংকলন। প্ৰায় ছশ মনীষীৰ চাৰি হেজাৰোৰো অধিক আপ্তবাক্য সংগ্ৰহ কৰোঁতে গিৰীশ চন্দ্ৰ ভট্টাচাৰ্যৰ সময় লাগিছিল সুদীৰ্ঘ ১৩ বছৰ। অৰ্থাৎ তেওঁ অৱসৰ গ্ৰহণৰ সময়ৰ পৰাই আৰম্ভ কৰিছিল এই আত্মোৎসৰ্গ। বোধহয় কেঞ্চাৰক প্ৰত্যাহ্বান দিবৰ কাৰণেই এনে সৎ সাহস আৰু জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহ। ফলত কেঞ্চাৰে ত্ৰাহি মধুসূদন সুঁৱৰি ৰণক্ষেত্ৰৰ পৰা পলায়ন কৰিবলৈ বাধ্য হৈছে। তেওঁক যদি আজিও স্বচক্ষ কোনোবাই দেখা তেওঁ ক'ব লাগিব যে গিৰীশ চন্দ্ৰ এজন সুন্দৰ চফল ডেকা ল'ৰা।

**চিন্তন বিতান**
**লেখক - গিৰীশ চন্দ্ৰ ভট্টাচাৰ্য**
**প্ৰকাশক - পৃথিৱী প্ৰকাশন, বেলতলা,গুৱাহাটী**
**আলোচক - মথুৰা মোহন ডেকা**

'চিন্তন বিতান'ৰ সৰহসংখ্যক নিবন্ধতে বিমূৰ্ত চিন্তনে হৈছে মূল উপজীব্য। বহুকেইটা নিবন্ধ অৱশ্যে সমূৰ্ত আৰু সহজসাধ্য বিশ্লেষণৰে সম্পৃক্ত। কিতাপখনৰ নামটোৱে ইংগিত দিয়ে যেন এখন চিন্তাৰ চন্দ্ৰাতপ বা এটা চিন্তাৰ মন্দিৰ।

ভট্ট যদিও শেষতগে Pure Mathematicsৰ মানুহ হ'ল আচলতে নৱম-দশম শ্ৰেণীত সমান্তৰালভাৱে তেওঁৰ শিক্ষাগ্ৰহণ আছিল সংস্কৃত টোলত। সেয়ে তেওঁৰ জ্ঞান আৰু শব্দ ভাণ্ডাৰ সংস্কৃত শব্দৰে পৰিপুষ্ট।

তেওঁ নিজেই কৈছে- মই দুটা কাৰণত লিখোঁ। এটা হ'ল আৱেগিক তাড়না আৰু আনটো হ'ল চিন্তা-প্ৰাবনিক তাড়না। ইয়াৰ পৰা এইটো স্পষ্টভাৱে ক'ব পাৰি- ভট্ট যেন দেশ, কাল, সমাজ আৰু মানুহৰ প্ৰতি বৰ বেছি দায়বদ্ধ নহয় ঠিক আলবেয়াৰ ক্যমুৰ The Outside ৰ দৰে। অৱশ্যে গণৰাজ্য, বিজ্ঞান, ঐশ্বৰিক ধৰ্ম, অনতিক্ৰম্য বিবিক্ষা, 'ব'হাগ বিহু আৰু লোক সংস্কৃতিৰ চিন্তা', 'মানৱতাবোধ, উপলব্ধি আৰু সংকল্প' আৰু কে'বাটাও লেখা ইয়াৰ ব্যতিক্ৰম। এইবোৰত দাৰ্শনিক চিন্তাৰ বাহিৰলৈ আহি তেওঁ বাস্তৱতাৰ সন্মুখীন হৈছে।

**(১৮/০৬/২০১৮)**
**তথাপি প্ৰশ্ন বৈধ-অবৈধ**
**লেখিকা - চিকিমিকি তালুকদাৰ**
**প্ৰকাশক - বাণী প্ৰকাশ (গিৰিপদ দেৱ চৌধুৰী)**
**আলোচক - অৰূপ ডেকা**
**মূল্য - ৮৫ টকা**

ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা হিচাবে বিভিন্ন সময়ত মুখামুখি হোৱা বাস্তৱৰ বাবেই সম্ভৱতঃ কবিৰ কাপেদি কিছু পৰিমাণে নিৰাশাৰ কবিতাৰ সৃষ্টি হৈছে। অৱশ্যে নিৰাশাৰ মাজতো কবিয়ে ভালপোৱাৰে সমাজ গঢ়িব বিচাৰিছে। প্ৰথম কবিতাটোত তাজমহল সাজিবলৈ প্ৰেমিকক কৈছে। পিছে সেই তাজমহল যমুনা নৈৰ পাৰত নহয়, সাজিব লাগিব প্ৰেমিকৰ মাজত থুপ খাই থকা ভালপোৱাৰ মাজত। শিল্পীক আহিলা হিচাপে তুলি দিছে অশ্ৰু। সেই অশ্ৰুৰে নিৰ্মাণ হ'ব কবিৰ স্মৃতি সৌধ। সমাজৰ স্খলিত ৰূপ দেখি উদ্বিগ্ন কবিয়ে কৈছে- 'ধৰিত্ৰী আজি শ্যামলিমা নহয়/ নহয় ৰত্নগৰ্ভা/ বন্ধ্যা তাই/ ৰুগ্না তাই। অগ্নিগৰ্ভা তাইৰ পৰিচয়/ এগৰাকী নাৰী হিচাপে, মাতৃ হিচাপে কবিয়ে জীৱ শ্ৰেষ্ঠৰ সংকীৰ্ণতাত প্ৰশ্ন কৰি কৈছে- 'চিৰন্তন/চিৰসুন্দৰ। চিৰ সত্য হেনো প্ৰেম/ তথাপি প্ৰশ্ন? বৈধ অবৈধৰ। প্ৰেমৰ নামত পূজিতা নাৰী আজি ধৰ্ষিতা হৈ অকালতে হেৰুৱাইছে জীৱন। বিতৰ্কৰ বুমাৰেং/ তুমৰুলি দিয়ে প্ৰেমে/ সংপৃক্ত হ'ব খুজে সংযম/ কবিয়ে হতাশাত ভুগি কৈছে/ 'বিশ্বাসবোৰ নিশ্বাস হ'ল/ জীৱন এতিয়া/ লঠঙা গছৰ টঙীঘৰ/ তলত উদং পথাৰ।'

নিৰাশাৰ মাজতো আশাৰ পোহৰ খেদি ফুৰা কবিয়ে সেয়েহে ককাদেউতাকে সজা পমুৱা পজাঁ অথবা আইতাকে জ্বলোৱা তুলসীৰ তলৰ বন্তি গছি জ্বলাই ৰাখিছে।

**অনিৰুদ্ধ**
**লেখক - প্ৰমোদ কাকতি**
**আলোচক - ড০ মনীন্দ্ৰ নাথ ৰায়**

চেমনীয়া স্তৰৰ মনস্তত্বৰ বিশ্লেষণ পাঠকৰ বাবে মনোগ্ৰাহী হৈছে। উপন্যাসখনত কাকতিয়ে কেনেকৈ কামৰূপৰ ফালৰ লখিমীবাৰী গাঁৱৰ দুটি বুধিয়ক আৰু সাহসী স্কুলীয়া ল'ৰাই এটি সামান্য ভুল কাম কৰি সামাজিক আৰু পাৰিবাৰিক ককৰ্থনাৰ সন্মুখীন হয় আৰু তাৰেই ফলস্বৰূপে পিতৃ গৃহ ত্যাগ কৰি অজান ঠাইলৈ যাত্ৰা কৰে তাৰেই কাহিনী অংকন কৰিছে। সৌভাগ্যক্ৰমে তেওঁলোকে যাত্ৰাপথত এজন মানবীয় গুণেৰে বিভূষিত ব্যৱসায়ীৰ সংগ লাভ কৰে। এই ব্যৱসায়ীজনে ল'ৰাদুটিক আশ্ৰয় দিয়াৰ লগতে কাম-বন কৰাৰো সুবিধা প্ৰদান কৰে। নিজৰ পুত্ৰবৎ জ্ঞান কৰি তেওঁ দুয়োকে প্ৰাইভেটকৈ পুনৰ অধ্যয়নৰ বাবে উৎসাহ যোগায়। ইয়াৰে পবিত্ৰ নামৰ ল'ৰাজনে সমগ্ৰ অসমৰ ভিতৰতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষষ্ঠ স্থান অধিকাৰ কৰে। এনে সাফল্যৰ কাহিনীয়ে লিশ্চয় বহুতো স্কুলীয়া ল'ৰা-ছোৱালী আৰু লগতে অভিভাৱককো উৎসাহ যোগাব।

ইয়াত নৰনাথৰ দৰে ৰাইজৰ প্ৰতিনিধিয়ে দুৰ্নীতিৰে ধন চপাই সম্পত্তিৰ পাহাৰ গঢ়াৰ বিপৰীতে হামিদ আহমেদৰ দৰে ব্যৱসায়ীয়ে কষ্টোপাৰ্জিত ধনেৰে নিঃস্বাৰ্থ সমাজ সেৱা কৰাৰ বৰ্ণনা, চৰাঞ্চলত অশিক্ষিত ৰাইজৰ মাজত মাতব্বৰ

মুখীয়ালৰ ৰাজনীতি, এনে অঞ্চলত বুনিয়াদী শিক্ষাৰ ন্যূনতম সুবিধাৰ অনুপস্থিতিৰ বিপৰীতে বিধায়ক পুত্ৰৰ লণ্ডনত শিক্ষা গ্ৰহণৰ বৰ্ণনাও আছে। সেই দৰে গাঁও অঞ্চলত প্ৰাথমিক চিকিৎসাৰ অভাৱৰ বিপৰীতে বিধায়ক পত্নীৰ চিকিৎসাৰ বাবে আমেৰিকা গমন, গ্ৰামাঞ্চলত ৰাজপথৰ পঁয়লগা অৱস্থা, বিজুলী আৰু স্কুলৰ অভাৱ আৰু অশিক্ষিত মানুহৰ একাধিক পত্নীৰ গৰু-গাহৰিৰ দৰে এগাল সন্তান জন্ম আদিও আঙুলিয়াই দিয়া হৈছে।

অসমত অসংখ্য খাল, বিল থকা সেত্বও মীন পালনৰ প্ৰতি অৱহেলা আৰু চালানি মাছৰ আমদানি, বছৰি হোৱা বানপানীত গাঁৱলীয়া ৰাইজে ককবকাই থকাৰ দৃশ্য পৰিদৰ্শন কৰিবলৈ পত্নীৰ স'তে বিধায়কৰ দৃষ্টিকটু উৰাজাহাজেৰে ভ্ৰমণ আদিৰ বৰ্ণনা কৰিবলৈ পাহৰা নাই।

উপন্যাসৰ মূল চৰিত্ৰ দুটি কামৰূপ অঞ্চলৰ যদিও কৰ্মক্ষেত্ৰৰ ঘটনাৱলীৰ বিৱৰণ দিওঁতে লেখকে গোৱালপৰীয়া ভাষাত (কিছুমানে ইয়াক বৰ্তমান ৰাজবংশী বা দেশী ভাষা বুলি কয়) কথোপকথন আগবঢ়াইছে।

**(২৫/০৬/২০১৮)**
**কথাবোৰ সঁচা নহ'বও পাৰে**
**লেখিকা - গীতা চহৰীয়া**
**প্ৰকাশক - প্ৰতিশ্ৰুতি প্ৰকাশন**
**মূল্য - ৫০ টকা**

ভাৰতীয় মানুহ কৈশোৰ অৱস্থাত আবেগপ্ৰৱণ হৈ থাকে বুলি এটা সমীক্ষাত প্ৰকাশ। সেই কালত তেওঁলোকে সৃষ্টিশীল কৰ্মত মনোনিৱেশ কৰে। তাৰে কিছুমানৰ তেনে অনুশীলনৰ ধাৰাবাহিকতা প্ৰাপ্তবয়স্ক কালতো অব্যাহত থাকে। তেতিয়া তেওঁলোকৰ কোনো হয় কবি-গীতিকাৰ, আন কোনো হয় গল্পকাৰ-ঔপন্যাসিক।

এনেদৰে কবিতাৰ পথাৰত খুপি খুপি বাট বুলি থকা এগৰাকী ৰচয়িতা হ'ল গীতা চহৰীয়া।

**বিষ্ণুপ্ৰিয়া মণিপুৰী**
**লেখক - দিল্স লক্ষ্মীন্দ্ৰ সিংহ**
**আলোচক - দীপক শৰ্মা**

অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠীয় বিষ্ণুপ্ৰিয়া মণিপুৰীসকলৰ ভাষাগত দিশত সংখ্যালঘু যদিও তেওঁলোকৰ সংস্কৃতি আৰু ভাষা-সাহিত্য বৰ চহকী। লৌকিক সাহিত্যৰ পৰ্যায়ত তেওঁলোকৰ মাজত জনপ্ৰিয় 'বৰণ ডাহানিৰ এলা', 'মাদৈ-সৰাহালৰ এলা', 'পানীৰ এলা', বিভিন্ন খেল-ধেমালিৰ গীতসমূহ, 'আপাঙৰ য়াৰি, ববেইৰ য়াৰি, সৰাহালৰ য়াৰি' আৰু অজস্ৰ ফকৰা-যোজনা ইত্যাদি। লিখিত সাহিত্যৰ আৰম্ভণি এশ বছৰ আগত। যোৱা শতাব্দীৰ পঞ্চাশ দশকৰ পৰা আৰম্ভণি আধুনিক সাহিত্যৰ অবিৰত যাত্ৰা। সাহিত্যিকসকলৰ সাধনা আৰু ত্যাগৰ বিনিময়ত তেওঁলোকৰ আধুনিক কবিতা, গল্প, নাটক, উপন্যাস আদি যথেষ্ট উন্নত পৰ্যায়ত অৱতীৰ্ণ হোৱা বুলি সমালোচকসকলে প্ৰশংসা কৰিছে। তেওঁলোকৰ সাহিত্যত সৃজনশীল সাহিত্যৰ লগতে সমালোচনামূলক সাহিত্যৰো যথেষ্ট উন্নতি হৈছে। তাৰ মাজত নৱতম উল্লেখযোগ্য সংযোজন হ'ল এই গ্ৰন্থখন।

সংস্কৃত সাহিত্যত অলংকাৰশাস্ত্ৰ এটি উল্লেখযোগ্য সংযোজন। কাব্য সমালোচনাৰ আলম লৈ গঢ়ি উঠা এই শাস্ত্ৰত কবিসকলে ৰচনা কৰা কাব্য শব্দৰ যথাৰ্থ প্ৰয়োগ হৈছে নে নাই আলোচনা হৈছে আৰু শব্দ প্ৰয়োগৰ ৰীতি-নীতিৰ বিষয়ে আলোচনা কৰা হৈছে। সংস্কৃত অলংকাৰ শাস্ত্ৰৰ অনুসৰণ কৰি সিংহই তেওঁৰ গ্ৰন্থখন ৰচনা কৰিছে। এই গ্ৰন্থখন বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাত অলংকাৰ বিষয়ক প্ৰথম প্ৰকাশিত গ্ৰন্থ।

'সাহিত্যালংকাৰ' গ্ৰন্থখন সাতটা অধ্যায়ত ভাগ কৰা হৈছে- কাব্য আৰু অলংকাৰ, অলংকাৰৰ ইতিহাস, অলংকাৰ-সংজ্ঞা আৰু শ্ৰেণী বিভাগ, শব্দালংকাৰ, অৰ্থালংকাৰ, পাশ্চাত্যৰ কাব্যালংকাৰ আৰু শব্দ আৰু অৰ্থ। দিল্স

সিনহা নিজেই এজন কবি আৰু সংস্কৃতি সাধক হোৱা বাবে আলোচনা কেৱল মাত্ৰ তথ্যভিত্তিক আৰু গৱেষণাধৰ্মী নহৈ অতি ৰসাল আৰু মনোগ্ৰাহী হৈছে। তেওঁ এই গ্ৰন্থৰ পাতনিত লিখিছে যে গ্ৰন্থখন সংস্কৃত আলংকাৰিক বিশ্বনাথ কবিৰাজৰ সাহিত্যদৰ্পণক ভিত্তি কৰিছে যদিও ইয়াত বিভিন্ন ভাষাৰ বহুতো লিখকৰ উপলব্ধিবোৰ সুমুৱাইছে আৰু নিজৰ সাহিত্যিক জীৱনৰ উপলব্ধিবোৰো সন্নিৱিষ্ট কৰিছে। সহায়ক গ্ৰন্থ-সূচীৰ দীঘল তালিকাখন দেখিলেই কথাটোৰ সত্যতা বুজিব পাৰি।

**সংগম**
**লেখক - প্ৰমোদ কাকতি**
**আলোচক - ডং মনীন্দ্ৰ নাথ ৰয় (৭০০২৬২৪৭০৩)**

লেখক ভাৰত চৰকাৰৰ চোৰাংচোৱা বিভাগত জীৱনৰ এক দীঘলীয়া সময় চাকৰি কৰি যি বিচিত্ৰ অভিজ্ঞতা সঞ্চয় কৰিছে, তাক সফলভাৱে কলালৈ ৰূপান্তৰিত কৰি এই উপন্যাসখন ৰচনা কৰিছে।

লেখকে বৰ্ণনা কৰিছে কেনেকৈ এচাম সৎ আৰু নিষ্ঠাবান বিষয়াই ভাৰতীয় চোৰাংচোৱা বিভাগত আন্তৰিক প্ৰচেষ্টা কৰা সত্বেও অনুপ্ৰৱেশ আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ অন্ত পৰা নাই বৰঞ্চ দিনে দিনে বাঢ়িহে আছে। ইয়াৰ অন্তৰালত যে ৰাজনীতিৰ পাকচক্ৰ আছে, তাকো ইয়াত স্পষ্টকৈ উল্লেখ কৰা হৈছে।

ভাৰত-বাংলাদেশ সীমান্তত অব্যাহত থকা বিশৃংখল দৃশ্যপটৰ বৰ্ণনা দিওঁতে লেখকে উল্লেখ কৰিছে, ‘ধন, সোণ, গাৰ মঙহৰ বিনিময়ৰ বাবে দিনে দিনে দলে দলে সিপাৰৰ মানুহ ইপাৰলৈ আহি আছে। ই বহুৰি ভয়াৱহ ভগনীয়া সমস্যাৰ সৃষ্টি কৰিছে।’ এইখিনিতে তেওঁ ভগনীয়া সমস্যাৰো এক সুস্থ বিশ্লেষণ আগবঢ়াইছে। পেটৰ দায়, দেশ বিভাজন, ধৰ্মীয়-সামাজিক-সাংস্কৃতিক বৈষম্য আদি এনে সমস্যাই মূল কাৰণ বুলি চিহ্নিত কৰিছে। উপন্যাসৰ নায়ক চন্দন বৰুৱা চোৰাংচোৱা বিভাগৰ এজন সৎ, সাহসী আৰু কৰ্মনিপুণ বিষয়া। ইয়াত সামগ্ৰিকবাৱে নায়কৰ ভূমিকা বৰ্ণনা কৰাত লেখকৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাক সফলভাৱে কলাত্মক ৰূপ প্ৰদান কৰাৰ ফলত উপন্যাসৰ নান্দনিক সৌন্দৰ্য ফুটি উঠিছে।

**গানে গানে সুৰীয়া গধূলি**
**গীতিকাৰ - কামাখ্যা প্ৰসাদ ৰায়**
**প্ৰকাশক - বঙাইগাওঁ জিলা সাহিত্য সভা**
**আলোচক - ভৰত চন্দ্ৰ ডেকা (৯৪৩৫৪০৩০৯৪)**

অসমীয়া সাহিত্যত গীতি সাহিত্যই য়দিও প্ৰসাৰতা লাভ কৰিব পৰা নাই। সেয়ে যিসকলে গীতিকাৰে গীত ৰচনা কৰি পৰিৱেশন কৰাৰ উপযোগী কৰি তুলিছে তেওঁলোক ধন্যবাদৰ পাত্ৰ। শুনাত শুৱলা হোৱা গীতে শ্ৰোতাক পুলকিত কৰি তোলে। লগতে সেইবোৰ অৰ্থপূৰ্ণ হ’বও লাগিব। দুৰ্ভাগ্যৰ বিষয় যে অসমত আজি-কালি এচাম পাবত গজা গীতিকাৰৰ সৃষ্টি হৈছে যিসকলে কুৰুচিপূৰ্ণ, অশ্লীল শব্দ প্ৰয়োগ কৰি গীত ৰচনা আৰু পৰিৱেশন কৰি সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ উঠি পৰি লাগিছে। এইসকলে অসমীয়া গীতি সাহিত্য ধ্বংসৰ মুখলৈ নিয়াৰ বাহিৰে বিশেষ অৱদান অগবঢ়াব পৰা নাই। এই ক্ষেত্ৰত কামাখ্যা প্ৰসাদ ৰায়ৰ ওপৰোক্ত গীতৰ সংকলনখনি ব্যতিক্ৰম হিচাপে চিহ্নিত হৈছে বুলি ক’ব পাৰি। তেওঁৰ গীতবোৰত সুন্দৰভাৱ-ভাষা, শব্দশৈলী প্ৰয়োগ কৰি বুৰঞ্জীবিদ শশীভূষণ চৌধুৰীৰ স্মৃতিত তেওঁৰ কৃতিত্ব বৰ্ণনা কৰি গীতটো ৰচনা কৰিছে। নিজৰ হাইস্কুলীয়া শিক্ষানুষ্ঠান আৰু কলেজীয়া শিক্ষানুষ্ঠানৰ ক্ৰমান্বয়ে অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ কথা বৰ্ণনা কৰিছে, য’ৰ পৰা নেকি শ শ ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ শলিতা জ্বলাই বিদ্যালয় দুখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ কৰ্মক্ষেত্ৰত আগবাঢ়ি যাবলৈ ডেকা শক্তিক আহ্বান জনোৱা হৈছে। তেনেদৰে নিজৰ নিজৰ জন্মভূমিৰ গৌৰৱ কঢ়িয়াই আনিবলৈও সন্তানসকলক আহ্বান জনোৱা হৈছে। ভাৰতৰ থনিকৰ প্ৰথমজনা প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক নেহৰু খুৰা বুলি সম্বোধন কৰি কবিতাৰ মাজেদি তেওঁৰ গুণ গৰিমা বৰ্ণনা কৰা হৈছে। দুই-এটি গীতত গীতিকাৰে

প্ৰেমিক আৰু ৰোমান্টিক ৰূপেও আত্মপ্ৰকাশ কৰিছে। কে'ইবাটাও গীতত নিজৰ গাওঁ, নিজৰ ঠাইখনৰ কথা বৰ্ণনা কৰি গীতিকাৰ উৎফুল্লিত হৈছে।

## দৈনিক অসমঃ

**(০১/০৬/২০১৮)**
**অচিন ঘাটৰ কৰুণ সুৰ**
**লেখিকা - চাইৰা ইছলাম বড়া**
**প্ৰকাশক - প্ৰণৱ হাজৰিকা ( জে এছ পাব্লিকেশ্যনচ, গুৱাহাটী ৯৬৭৮৩১৬৭১৮)**
**আলোচক - ড০ ভূবনেশ্বৰ ডেকা**

পাতনিত লেখিকাই 'অচিন ঘাটৰ কৰুণ সুৰ' এই নামটিৰে যেন গ্ৰন্থখনৰ নান্দী শ্লোকৰ তাৎপৰ্য বহন কৰিবলৈ সক্ষম হৈছে।

চুটি চুটি বাক্যৰে সজাই তোলা উপন্যাসখন ক্ষুদ্ৰ ক্ষুদ্ৰ ইটা মাটিৰে নিৰ্মিত এটি মৰম লগা ক্ষুদ্ৰ পঁজাঘৰ যেন লাগে। তেনে এটি পঁজাঘৰে যিদৰে আমাৰ জাতিৰ সমাজ-সংস্কৃতিক প্ৰতিফলিত কৰিব পাৰে, 'অচিন মাটিৰ কৰুণ সুৰ' নামৰ সৰু উপন্যাসখনেও কাহিনী, উৎকন্ঠা, ৰস, আদিৰ যোগেদি আমাৰ উৰঁলি যাবলৈ ধৰা সমাজখনৰ প্ৰতিচ্ছবি কিছু পৰিমাণে হ'লেও দাঙি ধৰিবলৈ সক্ষম হোৱা যেন ভাৱ হয়। অৱশ্যে গ্ৰন্থখনক যিদৰে একেষাৰে গল্পপুথি বুলি ক'ব নোৱাৰি, সেইদৰে উপন্যাস বুলি কোৱাতো সমস্যা আহে। গ্ৰন্থখন সম্পূৰ্ণ বৰ্ণনাধৰ্মী, ইয়াত চৰিত্ৰ আৰু সংলাপ তেনেকৈ বৰ বিশেষ নাই। কিন্তু বোৱঁতী পানীত নৌকা এৰি দিলে নৌকাখনে যিদৰে ভটিয়নী পানীত গতি কৰি থাকে, উপন্যাসখনৰ কাহিনীয়েও বাধা নোপোৱা পানীত নৌকা যাত্ৰীৰ দৰে পাঠকক আপোন পাহৰা কৰি গন্তব্য স্থানলৈ লৈ যাব। তেনে নৌকা যাত্ৰাত নৈৰ দুয়োপাৰৰ পাহাৰ-ভৈয়াম, শস্য-শ্যামলা পথাৰে যিদৰে মন মুগ্ধ কৰি ৰাখে, গ্ৰন্থখনৰ প্ৰায় প্ৰতিটো বাক্যৰ গাঁথনি, শব্দৰ মাধুৰ্য আৰু উৎকন্ঠাই পাঠকক আপোন পাহৰা কৰি ৰাখিব। কৰুণ, শৃংগাৰ ৰসেৰে বিটোত গ্ৰন্থখনিত হাস্যৰসৰো উমান পোৱা যায়। কাহিনীভাগত প্ৰধানতঃ সমাজৰ অসহিষ্ণুতাৰ কথাকে প্ৰাধান্য দিয়া হৈছে। এগৰাকী সহজ-সৰল নাৰীয়ে তথাকথিত অভিভাৱক তথা পিতৃ-মাতৃৰ ধৰ্মীয় ৰীতি নীতিৰ তাগিদাত কিদৰে মুখথেকেচা খাবলগীয়া হৈছে, তাৰে জ্বলন্ত উদাহৰণ এই উপন্যাসখন।

**আহিনা বৰকলিতা**
**লেখক - ভুবন চন্দ্ৰ কলিতা**
**প্ৰকাশক - কলহী প্ৰকাশ**
**আলোচক - অনন্ত বৰ্মণ**

গ্ৰন্থ সংকলনখনত জীৱ-জন্তু প্ৰিয় এটি পৰিয়ালৰ গৃহতে আহিন মাহত জন্মা মেকুৰী 'আহিনা বৰকলিতা'ৰ অন্তৰাত্মাত থাকিব পৰা অনুভৱ- উপলব্ধি আৰু পৰিয়ালটিৰ শিশু-কিশোৰৰ আহিনাক লৈ গঢ় লোৱাত নীতি-আদৰ্শ, কৰ্তব্য আদিৰ কথা সুন্দৰভাৱে ধাৰাবাহিক ঘটনা-পৰিঘটনাৰে বৰ্ণনা কৰা হৈছে। তদুপৰি সংকলিত গ্ৰন্থখনত 'আহিনা বৰকলিতা' নামৰ মেকুৰীটোৰ মনোজগতত বিচৰণ কৰা শিশু-কিশোৰ মনৰ কৌতুহল নিৰসনৰ চেষ্টা কৰা হৈছে। গ্ৰন্থখনৰ 'আহিনা বৰকলিতাৰ আত্মকথা'ত লিখিছে- মোৰ নাম আহিনা বৰকলিতা। মই কথা ক'ব নোৱাৰোঁ। মই আমাৰ ভাষাত কথা পাতোঁ। গৃহস্থৰ বৰমা, দাদাহঁত আৰু আমাৰ ঘৰলৈ অহা লোকসকলৰ হাব-ভাব, কথা-বতৰা আৰু ভাষা বুজি পাওঁ। তেওঁলোকৰ লগত কথা পাতোঁ, অভিমান কৰোঁ। দাদাহঁতে পঢ়োতে, কথা-বতৰা পাতোঁতে মই মনোযোগেৰে সেইবোৰ শুনি থাকোঁ, মনত ৰাখোঁ। প্ৰায় পাঁচশ বছৰ পূৰ্বে আমাৰ পূৰ্বপুৰুষক ঘৰচীয়া কৰা হৈছিল। আমাৰ প্ৰধান কাম আছিল মানুহক সংগ দিয়া আৰু পৰুৱা, এন্দুৰ-নিগনি আদি বধ কৰা। আমাৰ প্ৰায় এশবিধ প্ৰজাতি আছে।

**সূৰ্য উঠা দেশত**
**মূল - হিন্দী, (অৰুণোদয় কী ধৰতী পৰ)**
**লেখক - সাৱৰমল সাংগানেৰীয়া**
**অনুবাদ - অৰুণজ্যোতি বৰা**
**প্ৰকাশক - হেৰিটেজ ফাউণ্ডেচন, জে বি ৰোড, পল্টনবজাৰ, গুৱাহাটী-১**
**আলোচক - বিশ্বজ্যোতি চাংকাকতি**

'পূব চিয়াঙত বাস কৰা প্ৰায় সকলো জনজাতিক সামূহিকভাৱে আদি নামেৰে জনা যায়। প্ৰথমে আদিৰ বাবে 'আবৰ' শব্দৰ প্ৰয়োগ হৈছিল। ইয়াক ইংৰাজসকলে জংঘলী অথবা অসভ্য জাতি হিচাপে ব্যৱহাৰ কৰিছিল বৰ্তমান এনে সম্বোধন কৰা সম্পূৰ্ণ বৰ্জিত।' এই গুৰুত্বপূৰ্ণ কথাখিনি পুথিখনৰ ৮৭-৮৮ পৃষ্ঠাত এইখিনি আছে। সাংগানেৰীয়াই নিজে অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰি তাত লাভ কৰা অভিজ্ঞতাবোৰৰ উপন্যাসোপম বৰ্ণনা দিছে। ইয়াৰ প্ৰতিটো চৰিত্ৰই যে সঁচা তাত কোনো সন্দেহ নাই।

আদি জনগোষ্ঠীৰ লোকসকলে ঐতিহাসিকভাৱে অসমৰ আহোম ৰজাকো মোগলৰ বিৰুদ্দে হোৱা যুদ্ধত সহায় কৰিছিল। তেওঁ লিখিছে- 'লাচিত বৰফুকনে যেতিয়া শৰাইঘাটত মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, তেতিয়া আদি জনজাতিৰ যুৱকসকলেও তেওঁৰ সৈন্যবাহিনীত যোগ দিছিল। আদি জনজাতিৰ উপৰি মিচিমি, নিচি, নগা আদি জনজাতিসকলৰ প্ৰায় ত্ৰিশ হাজাৰ সৈন্যই লাচিত বৰফুকনৰ সৈন্যবাহিনীত যোগ দিছিল।'

২০০৯ চনত চত্তীছগড়ৰ ৰায়পুৰত এক জনজাতীয় সন্মিলনত ভাগ ল'বলৈ অৰুণাচলৰ প্ৰতিনিধি দল এটাৰ লগত পুথিখনৰ অনুবাদক অৰুণজ্যোতি বৰা যাওঁতে তাত উপস্থিত থকা স্থানীয় লোক, আৰক্ষী বিষয়া সকলোৱে অৰুণাচলৰ লোকসকলৰ মুখাৱয়ৱ দেখি তেওঁলোকক চীনৰ লোক বুলি ভুল ধাৰণা হৈছিল। আচলতে ৰায়পুৰৰ স্থানীয় লোক আৰু আৰক্ষী বিষয়াৰ অৰুণাচল সম্পৰ্কত কোনো জ্ঞানেই নাছিল! অনুবাদকে সাংগানেৰীয়াৰ 'অৰুণোদয় কি ধৰতী পৰ' নামৰ পুথিখন ইয়াৰ পিছত পঢ়ি পুথিখন অসমীয়ালৈ অনুবাদ কৰাৰ বাবে অগ্ৰহী হৈ উঠিছিল। সাংগানেৰীয়াই এই পুথিখনত অৰুণাচল প্ৰদেশৰ প্ৰতিটো জনগোষ্ঠী, তাৰ বাট-পথ আদিৰ পৰা ধৰ্মলৈকে সকলো দিশ সাঙুৰি লৈছে। তেওঁ অৰুণাচলৰ জনজাতীয় লোকসকলৰ খাদ্যাভাসৰ কথা উল্লেখ কৰি লিখিছে- 'আচলতে ইয়াৰ জনজাতিসকলে মেথোনৰ উপৰি গৰু, ম'হ, হৰিণ, ভালুক, বান্দৰ, কেৰকেটুৱা আদি এনে কি নাই যিবোৰ তেওঁলোকৰ উদৰস্থ নহয়। যদিও এওঁলোকক দেখিলে এনেকুৱা নালাগে।'

পাৰ্বত্য ৰাজ্য অৰুণাচলৰ প্ৰাকৃতিক দুৰ্যোগৰ কথা উল্লেখ কৰি তেওঁ লিখিছে- 'হায়লিয়ামৰ কাষত এক সময়ত কামন মিচিমিৰ এখন লিমুজং নামেৰে গাওঁ আছিল। ১৯৪৮ চনৰ ৭ এপ্ৰিলত ভূমিস্খলনৰ দৰে এনে এটা ভয়ংকৰ দুৰ্ঘটনা ঘটিল, য'ত সম্পূৰ্ণ গাওঁখন মাটিত পোট গ'ল। গাওঁৰ চাৰিশ বাসিন্দা মাটিৰ তলত সোমাই পৰিল।'

উল্লেখ কৰিব পাৰি যে সাংগানেৰীয়াই নিজে মাৰোৱাৰী সম্প্ৰদায়ৰ লোক যদিও তেওঁ নিজৰ সম্প্ৰদায়ৰ কিছুমান দোষৰ কথাও ইয়াত অকপটে উল্লেখ কৰিছে। মাৰোৱাৰী সম্প্ৰদায়ৰ কিছুমান ব্যৱহাৰকো তেওঁ সমালোচনা কৰিছে। অৰুণাচলৰ মোম্পা জনগোষ্ঠীৰ লোকৰ কথা তেওঁ এনেদৰে লিখিছে- 'অৰুণাচলৰ এইটো এটা জনজাতি, যিটোৱে গাখীৰ সেৱন কৰে আৰু ঘিউ-মাখন তৈয়াৰ কৰে। বেছিকৈ এওঁলোকে য়াকৰ গাখীৰ খীৰায়। অৰুণাচলত অসমীয়াৰ স্থানত হিন্দী ভাষাই কেনেকৈ সংযোগী ভাষাৰ স্থান পালে, সেই কথাও সাংগানেৰীয়াই লিখিছে।' তেওঁক এগৰাকী অৰুণাচলী মহিলা শ্ৰীমতী ন্যোৱাই কৈছিল- 'অৰুণাচল প্ৰদেশক যেতিয়া নেফা বুলি কোৱা হৈছিল তেতিয়া ইয়াৰ স্কুল সমূহত অসমীয়া পঢ়োৱা হৈছিল। মই হাৰু মোৰ স্বামীয়ে পূৰ্বতে এই মাধ্যমতে পঢ়িছিলো। পিছলৈ অসমীয়াৰ ঠাইত হিন্দী পঢ়ুৱাবলৈ লোৱাত ইয়াৰ প্ৰচলন বাঢ়ি গ'ল।'

সাংগানেৰীয়াই তেওঁৰ পুথিখনত অসমীয়া ভাষাৰ বিশিষ্ট অৰুণাচলী লেখক য়েছে দৰ্জে ঠংচিৰ কথাও লিখিছে। পুথিখনত সাংগানেৰীয়াই অৰুণাচলৰ সামাজিক দিশটো আলোকপাতলৈ অনাত সম্পূৰ্ণ ৰূপে সফল হোৱা বুলি ক'ব পাৰি।

**(০৮/০৬/২০১৮)**

**History of Education among the Bodos**

**লেখক - ড০ সত্যেন্দ্ৰ কুমাৰ শৰ্মা**

**প্ৰকাশক - এন এল পাব্লিকেশ্যনচ**

**আলোচক - জয়কান্ত শৰ্মা**

এইটো অনস্বীকাৰ্য যে গুৰুগৃহ, টোল, পাঠশালা বা ছাত্ৰশালাবিলাকৰ বিষয়ে বৰ্বৰ কথা কোৱা হ'লেও প্ৰাকস্বাধীনতা কালত অসমত শিক্ষা ব্যৱস্থা ব্যাপক নাছিল- সমাজৰ নিম্ন শ্ৰেণীৰ অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে এইবোৰ শিক্ষানুষ্ঠানলৈ আহিছিল। ক'বলৈ গ'লে, বড়ো আদি অনাৰ্যমূলীয়া থিলঞ্জীয়া লোকসকল যিকোনো আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত আছিল (অৱশ্যে এওঁলোকৰে কেইটামান ৰাজ পৰিয়াল এই ক্ষেত্ৰত আছিল ব্যতিক্ৰম)। কিন্তু ১৮২৬ চনত ব্ৰিটিছ শাসন প্ৰবৰ্তিত হোৱাৰ পিছত গুৰুকুল পদ্ধতিৰ এঘাৰখন স্কুল তদানীন্তন গভৰ্ণৰ জেনেৰেলৰ এজেন্ট ডেভিদ স্কটে গুৱাহাটী, নীলাচল, ন-দুৱাৰ, পাটি দৰং, হাজো, বজালী, শীলা, বিশ্বনাথ, নগাঁও আৰু মঙ্গলদৈ আদি ঠাইত স্থাপন কৰে। ইয়াৰ শিক্ষাদানৰ মাধ্যম আছিল সংস্কৃত আৰু পাঠ্যক্ৰমৰ ভিতৰত আছিল পুৰণি আখ্যানমূলক পাঠ, গণিত, চিকিৎসা বিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞান।

কম দিনৰ ভিতৰতে আৰু পাঁচখন স্কুল খোলা হৈছিল। উত্তৰ কেন্দ্ৰীয় অসমৰ দণ্ডধীশৰ চেষ্টাত ১৮৩৩ চনত মঙ্গলদৈত আন এখন স্কুল খোলা হৈছিল, য'ত আছিল বহল পৰিসৰৰ পাঠ্যক্ৰম, কিন্তু পদ্ধতি আছিল একেই। যিহেতু নিম্ন শ্ৰেণীৰ লোকলৈ বিশেষকৈ জনজাতীয়সকললৈ শিক্ষাদানৰ ক্ষেত্ৰত উচ্চশ্ৰেণীৰ হিন্দুসকল প্ৰবল বিৰোধী আছিল, সেয়ে জনজাতীয়সকলৰ শিক্ষা ব্যৱস্থাৰ পৰা একপ্ৰকাৰ দুৰতেই থাকিবলগীয়া হৈছিল বা তেওঁলোকক তেনেদৰেই ৰখা হৈছিল। কিছুদিন পিছত অসমৰ কমিছনাৰ কেপ্টেইন ফ্ৰেন্সিছ জেনকিন্সৰ পৰামৰ্শক্ৰমে আৰু 'জেনেৰেল কমিটী অৱ পাব্লিক ইনষ্ট্ৰাকচনৰ অনুমোদনক্ৰমে গুৱাহাটী, দৰং আৰু নগাঁও এলেকাত পৰ্যায়ক্ৰমে ১৯খন স্কুল খোলা হয়- য'ত বড়ো ছাত্ৰয়ো নাম লগাইছিল আৰু শিক্ষা সমাপ্ত হোৱাৰ পিছত তেওঁলোকৰ কোনো কোনোজনক চৰকাৰী চাকৰিতো নিয়োগ কৰা হৈছিল। তাৰ পিছত চৰকাৰেই সাহায্য মঞ্জুৰীৰে হাইস্কুল, মজলীয়া স্কুল আৰু প্ৰাথমিক স্কুল খোলাৰ উদ্যোগ ল'লে। মিছনাৰী অনুষ্ঠান বোৰকো আনকি স্কুল খুলিবৰ বাবে মঞ্জুৰী সাহায্য দিয়া হৈছিল, তেওঁলোকো এইক্ষেত্ৰত উৎসাহী আছিল। এইবোৰ সত্তেও কিন্তু ঊনবিংশ শতিকাৰ শেষলৈকে সামগ্ৰিকভাৱে অসমত শিক্ষাৰ অগ্ৰগতি সন্তোষজনক নাছিল।

পুথিখনৰ প্ৰথম তিনিটা অধ্যায়ত অৰ্থাৎ 'পাতনি' সামজিক সংস্কৃতিৰ পটভূমি আৰু 'প্ৰাক-স্বাধীনতা কালৰ শিক্ষাৰ উন্নয়ন'ত গ্ৰন্থকাৰে কৰা বিস্তৃত গৱেষণামূলক নিতান্তই মন কৰিবলগীয়া আৰু শলাগিবলগীয়া। লগতে গাঁঠি দিয়া ২৯ খন 'টেবুল'এ তেওঁ বক্তব্যখিনি প্ৰতিষ্ঠা কৰাত প্ৰচুৰ সহায় কৰিছে। অঞ্চলটোত বিশেষকৈ জনজাতীয় শিক্ষাৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনাৰীসকলৰ ভূমিকাৰ কথা কোনোৱে আওকাণ কৰিব নোৱাৰে। এই অঞ্চলত মাৰ্কিন বেপ্টিষ্ট মিছনাৰীসকলেই পোনতে বড়োসকলৰ লগত সংযোগ স্থাপন কৰে। ১৮৪৯ চনত গুৱাহাটীৰ মিছনাৰী বোৰ্ডিং স্কুলৰ সৰহভাগ ছাত্ৰই আছিল বড়ো। ১৮৬৪ চনত এছ পি জি মিছনৰ ছিনডী এণ্ডলেই বড়ো ভাষা আৰু সাহিত্য সম্বন্ধে ব্যাপক অধ্যয়ন চলায় আৰু বড়ো ভাষাত বহুকেইখন কিতাপ উলিয়ায়- যি অধিক স্কুল খোলাত সহায় কৰিছিল। ১৮৯২-৯৩ চনত এছ পি জি মিছনে ২৫ খন স্কুল চলাইছিল, তাত ছাত্ৰ আছিল ৩৫৬ জন। ১৯০৭ চনত আমেৰিকাৰ বেপ্টিষ্ট মিছনাৰীসকলে এছ পি জি মিছনৰ পৰিপূৰক হিচাপে কাম কৰে আৰু স্কুলৰ সংখ্যা অকল দৰং জিলাতে ২৯লৈ বাঢ়ে।

কুৰি শতিকাৰ আগভাগত সমাজ সংস্কাৰক গুৰু কালিচৰণ ব্ৰহ্ম দৃশ্যপটত আৱিৰ্ভাব হোৱাৰ পিছত শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আৰম্ভ হয়। 'বিবাৰ যুগ'ত বড়ো ছাত্ৰ সন্মিলনী আৰু আমেৰিকান বেপ্টিষ্ট মিছনাৰীৰ লগতে ভালেমান লেখকেও শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল। ব্ৰাহ্ম ধৰ্মৰ প্ৰচাৰক কালিচৰণ ব্ৰহ্মৰ প্ৰগতিশীল দৃষ্টিভংগীয়ে বড়ো শিক্ষিত চামক আকৰ্ষিত কৰিছিল। যিসকলে 'বড়ো ছাত্ৰ সন্মিলনী'ৰ বেনাৰত ভাষা, সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্ৰত বড়োসকলৰ উন্নতি বিষয়ত প্ৰশ্নবোৰ নিজৰ কৰ্তব্য হিচাপে লৈছিল তাৰ পিছত শিক্ষা বিভাগেও বড়ো এলেকাত অধিক স্কুল খুলিবৰ বাবে উদ্যোগ লৈছিল। কালিচৰণ ব্ৰহ্মৰ আবেদনমৰ্মে চৰকাৰে বড়ো এলেকাৰ স্কুলবোৰৰ শিক্ষাৰ মাধ্যম বাংলাৰ পৰা অসমীয়ালৈ সলনি কৰে। বড়ো লিখিত ভাষাক মানবিশিষ্ট কৰিবলৈও ব্ৰহ্মই আপ্ৰাণ চেষ্টা চলাইছিল আৰু প্ৰয়োজনবোধে অসমীয়া আৰু বাংলা ভাষাৰ পৰা উপযুক্ত শব্দও লৈছিল। শিক্ষিত আৰু জনসেৱাৰ বাবে অনুৰাগী তিনিজন যুবক মাদাৰাম ব্ৰহ্ম, ৰূপনাথ ব্ৰহ্ম আৰু সতীশচন্দ্ৰ বসুমতাৰীক কালিচৰণ ব্ৰহ্মই সকলো দিশৰে পাৰদৰ্শী আত্মোৎসৰ্গী কৰ্মী কৰি তুলিছিল- যাৰ ফলত কছাৰী, ৰাভা, লালুং, মিৰি, মেচ আদিক সামৰি সমগ্ৰ জনজাতীয় লোকৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটোৱাত সহায় হৈছিল আৰু ১৯৩৭-৪২ চনৰ কালছোৱাত ৩১১ খন

শিক্ষানুষ্ঠানত নামভৰ্তি হৈছিল ১২৯৪১ জন জনজাতীয় ছাত্ৰৰ। ইপিনে, ১৯৩৭ চনৰ ৰাজনৈতিক গোট হিচাপে গঠিত হয় ট্ৰাইবেল লীগ। প্ৰাক স্বাধীনতা কালৰ বৰদলৈ মন্ত্ৰীসভা আৰু পিছৰখন ছাদুল্লা মন্ত্ৰীসভাত 'ট্ৰাইবেল লীগে' অংশগ্ৰহণ কৰিও জনজাতীয় শিক্ষা প্ৰসাৰত যথেষ্ট ইন্ধন যোগাইছিল।

স্বৰাজোত্তৰ প্ৰথমচোৱা কালটো চৰকাৰ আৰু জনসাধাৰণৰ উদ্যোগ সত্তেও বড়োসকল শিক্ষাৰ ক্ষেত্ৰত যে পাছ পৰি আছিল, তাক সকলোৱে জানে। ১৯৬৬ চনত পৰিকল্পনা আয়োগৰ এটা অধ্যয়নৰ মতে সেই সময়ৰ বড়োসকলৰ মাজত সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ১৯.৮৩%। পৰৱৰ্তী কালত অৱশ্যে অৱস্থাৰ প্ৰচুৰ পৰিৱৰ্তন ঘটিছে। স্কুলবোৰত এতিয়া বড়ো মাধ্যম প্ৰৱৰ্তিত হোৱাৰ পিছত বড়ো ভাষাত স্কুলীয়া শিক্ষা সমাপ্ত কৰি কলেজতো বড়ো ভাষা ল'ব পৰা হৈছে। অসমৰ বিশ্ববিদ্যালয় কেইখনত স্নাতকোত্তৰ মহলাতো বড়ো ভাষা প্ৰৱৰ্তিত হোৱাত স্বাভাৱিকতে বড়ো ভাষাৰ উন্নয়নত সহায়ক হৈছে।

অৱশ্যে যোৱা দশক কেইটাৰ এইবোৰ দিশত বড়ো সাহিত্য সভায়ো অভাৱনীয় ভূমিকা লৈ জাতি সংস্কৃতিক সমৃদ্ধ কৰিছে।

গ্ৰন্থখনত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক হেমন্ত কুমাৰ বৰুৱাৰো একাষাৰ আছে। পিছফালে সন্নিৱিষ্ট হৈছে কেইখনমান আপুৰুগীয়া ছবি। ওদালগুৰি জিলাৰ শিক্ষা ব্যৱস্থা সম্পৰ্কীয় এটা সুকীয়া অধ্যায় আছে। যি বৰ্তমানলৈকে জিলাখনৰ ৰূপ এটা দাঙি ধৰিব পাৰিছে। গ্ৰন্থখনে অসমৰ শিক্ষাজগতৰ জানিবলগীয়া বহুতো কথাই তুলি ধৰিছে বাবে ই বিশেষ সমাদৰ পাবৰ যোগ্য।

**Dipa Karmakar : in Perfect Balance**

**Writer - Lata Menan**

**Publisher - Pratham Books**

**আলোচক - চম্পক শৰ্মা**

ৰাছেল ইগন'টফস্কিৰ এখন গ্ৰন্থত বিশ্বৰ পঞ্চাশগৰাকী মহিলা এথলীটৰ বৰ্ণাঢ্য জীৱনৰ বৰ্ণনা কৰা হৈছে। বেষ্ট ছেলাৰ লেখিকা ইগন'টফস্কিয়ে মহিলাক বিষয়ৰূপে লৈ পূৰ্বেও অন্য কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। কিন্তু 'ৱ'মেন ইন স্প'ৰ্টছ ফিফটী ফিয়েৰলেছ এথলীটছ হু প্লে'ড টু উইন' শীৰ্ষক গ্ৰন্থখনত ইগন'টফস্কিয়ে মহিলা ক্ৰীড়াবিদৰ জীৱন চিত্ৰ আঁকিছে আৰু তেওঁলোকৰ সংগ্ৰামৰ কাহিনী বৰ্ণনা কৰিছে। ইগন'টফস্কিৰ খোজত খোজ থৈ কোনো ভাৰতীয় লেখকে যদি আজি আন্তঃ ৰাষ্ট্ৰীয় স্তৰত সফল হোৱা এথলীটসকলৰ এখন তালিকা প্ৰস্তুত কৰে, তেন্তে সেই তালিকাত দীপা কৰ্মকাৰৰ নামো নিশ্চয় থাকিব। এই দীপাক বিষয়ৰূপে লৈয়েই ই শিশুৰ বাবে উপযোগী গ্ৰন্থ ৰচনা কৰা হৈছে।

ক্ৰীড়াজগতখনত ভাৰতীয় মহিলাৰ জয়যাত্ৰা শেহতীয়াভাৱে চকুত লগা হৈ পৰিছে। সাক্ষী মালিক, ছাইনা নেহৱাল, পি ভি সিন্ধু আদিৰ লগতে দীপাৰো উত্থানে খেল জগতলৈ নতুন প্ৰত্যাশা আৰু সাফল্যৰ জোঁৱাৰ আনিছে। শ্ৰীলতা মেননৰ এই পুথিখনত দীপাৰ প্ৰেৰণাদায়ী ছবি ফুটি উঠিছে। দীপা আছিল অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা জিমনাষ্ট। দীপাই ২০১৬ চনৰ অলিম্পিকত প্ৰদুনভা ভল্টত চতুৰ্থ স্থানত থাকি সামান্য পইন্টৰ ব্যৱধানতহে পদক হেৰুৱাবলগীয়া হয়। কিন্তু অলিম্পিকলৈ দীপাৰ সেই যাত্ৰা আছিল দাৰিদ্ৰ্য আৰু প্ৰত্যাহ্বান নেওচা অন্য এখন যুদ্ধ। সেই বিশেষ উপযুক্ত প্ৰশিক্ষণ নোহোৱাকৈ দীপাই যি দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়াই সকলোৰে মন জিনিলে, তালৈ চাই মেননৰ এইখন পুথি তাৰ প্ৰতি এটি প্ৰশংসাসূচক বৰ্ণনা বুলি ভবাৰ থল আছে। এইখিনিতে আৰু এটা কথা, ভাৰতীয় মহিলা ক্ৰীড়াবিদৰ বিষয়ে জানিবলৈ উৎস একেবাৰেই কম।

**গছে-বনে সেউজীয়া ধুনীয়া ধৰণী**
**লেখিকা - বীণাপাণি মহন্ত বৰুৱা**
**প্ৰকাশক - হেমেন শইকীয়া, (যোৰহাট মাইনা পাৰিজাত)**
**আলোচক - চম্পক শৰ্মা**

মুখ্যতঃ শিশুক প্ৰকৃতিৰ প্ৰতি আকৃষ্ট কৰিবলৈ ৰচনা কৰা পুথি। কেইটিমান আকৰ্ষণীয় শিৰোনামেৰে সজোৱা পুথিখনিৰ প্ৰধান চৰিত্ৰবোৰ শিশুৱেই। পুথিখনিৰ এই দিশটোৱে ল'ৰা-ছোৱালীক বেছ আকৰ্ষিত কৰিব। আমাৰ চৌদিশৰ পৰিৱেশ, গছ-গছনি, বায়ু-পানী আদিৰ লগতে জীৱ-জন্তুবোৰৰ সৈতে আমাৰনো কি সম্পৰ্ক, সেয়া অতি সৰল ভাষাত কাহিনীৰ মাধ্যমেৰে বুজাই দিয়াত লেখিকা আশাতীতভাৱে সফল হৈছে। পুথিখনিৰ সবাতোকৈ আকৰ্ষণীয় দিশ হৈছে ইয়াৰ কথনভংগী। সৰু ল'ৰা-ছোৱালীৰ মাজত কথা-বতৰাৰ ছলেৰে লেখিকাই সিহঁতক প্ৰকৃতিপ্ৰেমী হ'বলৈ, বিজ্ঞানমনস্ক হ'বলৈ শিক্ষা দিছে। এই শিক্ষাদান কৰ্যত দুই-একোজন জ্যেষ্ঠ লোকক চৰিত্ৰ হিচাপে অৱতীৰ্ণ কৰোৱা হৈছে যদিও পুথিখনিৰ কাহিনীবোৰত তেওঁলোকৰ অংশগ্ৰহণ নিৰ্দিষ্ট আৰু সীমাবদ্ধ কৰি ৰাখি লেখিকাই মুকলি মনা শিশুহঁতক সিহঁতৰ মতেই প্ৰকৃতিৰ সৈতে মিলামিছা কৰা আৰু নতুন নতুন কথা শিকাৰ সুযোগ দিছে। মুঠতে আমি বাস কৰা এই সেউজীয়া গ্ৰহটোৰ ভৱিষ্যতৰ নিৰাপত্তা নিশ্চিত কৰিব পৰাকৈ সকলো প্ৰকাৰৰ জ্ঞান যাতে শিশুহঁতে পায় আৰু সিহঁত যাতে সচেতন হ'ব পাৰে, তাৰ প্ৰতি লেখিকাই এই পুথিত জোৰ দিয়া পৰিলক্ষিত হৈছে। শেষত ধূলিকণা বিষয়ক এটি নিবন্ধও লেখিকাই পুথিখনত সংযোগ কৰিছে। পুথিখনৰ যোগেদি লেখিকা এগৰাকী প্ৰকৃতি আৰু বিজ্ঞান-চেতনা থকা লোক বুলি সহজে বুজিব পাৰি। শিশুৰ মনস্তত্ব সম্পৰ্কে অৱগত হৈ সিহঁতৰ বাবে লিখা পুথিখনি পঢ়ি শিশু আৰু ডাঙৰ উভয়েই উপকৃত হ'ব আৰু আনন্দও পাব।

**আস্থাহীনতাৰ বিপৰীতে**
**লেখিকা - সুচিত্ৰা কাকতি**
**প্ৰকাশক - মানস কাকতি**
**আলোচক - নৰেন হাজৰিকা**

গল্পকাৰে বাৰটি চুটিগল্পক ঠাই দিছে। চুটিগল্পৰ অনুশাসন মানি ৰচিত প্ৰায়ভাগ গল্পত সমাজত ঘটি অহা কেতবোৰ ঘটনাৰ স্পষ্ট ছবি দেখা যায়। নিভাঁজ আৰু আলংকাৰিক শব্দ প্ৰয়োগ কৰি গল্পবোৰ অধিক সৰস আৰু বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। 'নাহৰলগুণত সন্ধ্যাক্লান্তা' গল্পটো এটা প্ৰেমৰ গল্প। ইয়াত অৰুণাচলৰ সেউজী প্ৰকৃতিৰ মনোমুগ্ধকৰ দৃশ্যৰ প্ৰেম আৰু প্ৰশান্তই কান্তাক লগ পাই অতীত ৰোমন্থন জালুকবাৰীৰ বিশ্ববিদ্যালয়ৰ যৌৱনৰ দোকমোকালিৰ ভাব, এৰি অহা দিনবোৰলৈ ঘুৰি যোৱাৰ প্ৰৱণতা। কিয়নো নায়ক প্ৰশান্তই নায়িকা কান্তাক লগ পাই পুনৰ মিলনৰ এটি দুৰ্বাৰ আকাংক্ষা জাগি উঠিল। কিন্তু লেখিকাই বৰ কৌশলেৰে কান্তাক দুৰাৰোগ্য ব্যাধিত আক্ৰান্তৰ কথাৰে জীৱনৰ এই বয়সত আকৌ নতুন জীৱন আৰম্ভ কৰাটো নৈতিক স্খলন হিচাপে বিবেচনা কৰিলে।

সুন্দৰ কাহিনীৰ এটি সুখপাঠ্য গল্প 'মৌন সমুখ সমৰ' গল্পটোৰ মাজেৰে স্বামীভক্তি আৰু আদৰ্শ গৃহিনীৰ ৰূপত একোখন ঘৰ ধৰি ৰখাৰ প্ৰচেষ্টা, মনোবল আৰু সেই কামত আগবাঢ়োতে কেতিয়াবা আহি পৰা বাধা আৰু তাক অতিক্ৰম কৰাৰ কৌশলৰ সুন্দৰ চিত্ৰ ফুটি উঠিছে।

একেদৰেই সন্দেহ, পৰিণাম আদি গল্পকেইটাৰ কাহিনীভাগ-চৰিত্ৰৰ বৈশিষ্ট্যত একে আষাৰে ক'বলৈ গ'লে মৰ্মস্পৰ্শী। 'মুক্তি' গল্পটো শিক্ষনীয় বিষয়ৰে সমৃদ্ধ আন এটি মনোগ্ৰাহী গল্প। এসময়ত ধন-ধানেৰে সমৃদ্ধ নায়িকা লক্ষ্মী- পুত্ৰবোৱাৰীৰ হাতত অপদস্থ হোৱা, সাংসাৰিক জীৱনত নিকাৰ ভুজ্জিব হোৱাত তেওঁ জৰ্জৰিত হৈ পৰিছে। এইখিনি সময়ত তেওঁ ভুল কৰিলে তাকে ভাবি চিন্তি পাৰাপাৰ নোপোৱা হ'ল। নিঃ সন্দেহে এইটো এটা উচ্চমানৰ গল্প।

'সঞ্চিতাৰ তৃতীয় পৃথিৱী' গল্পটো সাংসাৰিক জঞ্জাল মাৰোতেই সময়বোৰ গ'ল দেখোন। আনক হৃদয়ৰ ঐশ্চৰ্য্য বিলায়েই মহীয়ান। তেওঁ সমাজ জীৱন যাত্ৰাত পোৱা ৰিক্ত বা তিক্ত কোনো কথাতেই মন নিদি যুগৰ পৰিৱৰ্তনক স্বীকাৰ কৰি যায়।

‘জীতেনৰ পাঁচলি ভাৰথন’ নামৰ গল্পটিৰ জৰিয়তে ডেকা-গাভৰুৰ মনত জাপি উঠা যৌৱনৰ ঢৌ বোৱাই দি পাঠকক প্ৰেম ৰাজ্যৰ বতৰা দিছে। ঢাকনিবিহীন ৰূপবোৰে হয়তো গল্পৰ বৰ্ণনা সহজ কৰি তুলিছে।

‘অপূৰণ প্ৰতিশ্ৰুতি’ গল্পটোৰ বিষয়বস্তুও বাস্তৱ সমাজৰ। মনুষ্য জীৱনত বিচৰা মতে জীৱন-যাপন কৰিব বিচৰা বহুতৰে জীৱন ভাগ্যই কলুষিত সমাজলৈ ঠেলি দিয়া দেখা যায়। তেনে পৰিস্থিতিতো কোনোজনৰ বাবে জীৱনৰ অন্য এটা দিশ আহি পৰে। সুন্দৰ বিষয়বস্তুৰে ৰূপদান কৰা গল্পটোত বাৰ্তা আছে। স্বাৰ্থপৰ লোকৰ বাবে সৎ জীৱন-যাপন কৰিব বিচৰা বহুতৰে জীৱন কলুষিত সমাজখনলৈ ঠেলি দিয়া দেখা যায়। তেনে পৰিস্থিতিটো কোনোজনৰ বাবে একোজন ত্ৰাণকৰ্তা আহি পৰে। কথাশৈলীৰ সুন্দৰ কথনভংগীৰ বাবে ‘মই সমাজ-সেৱিকা আৰু বিবেক’ গল্পটোৱে পঢ়ুৱৈৰ মন চুব পাৰিছে।

**(১৫/০৬/২০১৮)**
**শশীধৰ নাথঃ অভিনন্দন গ্ৰন্থ**
**সম্পাদনা - ৰমেন্দ্ৰ ডেকা, প্ৰসন্ন কুমাৰ নাথ আৰু মুকুল চহৰীয়া**
**প্ৰকাশক - ছিপাঝাৰ সাহিত্য সভা**
**আলোচক - বিনয় ৰঞ্জন শৰ্মা**

জ্ঞানৰ দ্বাৰা ধ্যান আৰু ইয়াৰ সদৰূপ প্ৰকাশে এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰাজি বিকাশ কৰে। কীৰ্তি ৰক্ষা মানৱ জীৱনৰ মুখ্য লক্ষ্য। সৎ কৰ্মৰ সুফলে জীৱনক মহত্বৰপৰা মহীয়ান কৰি তোলে। ইন্দ্ৰিয় সংযমৰ সাধনাতে সংযমী সাধকে স্থিতপ্ৰজ্ঞৰ আশীৰ্বাদ লভি জীৱন-যাত্ৰ মধুময় কৰিব পাৰে আৰু বিশ্বৰ মঙ্গলৰ বাবে সেয়া আগবঢ়াব পাৰে। তেনে এগৰাকী ব্যক্তি হ'ল ছিপাঝাৰৰ শশীধৰ নাথ। চলনত গহীন-গম্ভীৰ, আলাপত ধীৰ-স্থীৰ, সদালাপী, পিন্ধন উৰণত পৰিপাতি, সুশ্ৰী, গুণী-জ্ঞানী, এগৰাকী স্থিতপ্ৰজ্ঞ ব্যক্তি। লগতে তেওঁ এগৰাকী সু-সাহিত্যিক, সমাজকৰ্মী আৰু কৃতী শিক্ষক।

তেওঁৰ বৰ্ণিল জীৱন-যাত্ৰ সামৰি প্ৰস্তুত কৰি উলিয়াইছে। ‘অভিনন্দন’ গ্ৰন্থখনি প্ৰাচ্য আৰু পাশ্চাত্য সকলোতে জীৱনী সাহিত্য বা আত্ম জীৱন চৰিতৰ গুৰুত্ব বাঢ়িছে। শশীধৰ নাথৰ গুণমুগ্ধ ছাত্ৰ-ছাত্ৰী, পৰিয়াল-পৰিজন, আত্মীয়-স্বজন, সামাজিক, সাংস্কৃতিক, সাহিত্যিক জীৱনৰ সহযোগীসকলে নিজা নিজা অনুভৱ উপলব্ধিৰে তেওঁৰ জীৱন-বিষয়ক বিভিন্ন দিশত আলোকপাত কৰি লেখা আলোচনাৰে এই অভিনন্দন গ্ৰন্থখনি সমৃদ্ধ কৰিছে। নিৰলস বাণীৰ সাধন, কৃচ্ছ্ৰ প্ৰজ্ঞাৰ অন্বেষণ, পৰিচ্ছন্ন জীৱন-বীক্ষাই যেন তেওঁৰ আদৰ্শ। সৰলতা, সততা, সহজতা, সহিষ্ণুতা আদি গুণ-বৈভৱৰ দ্বাৰা আলোকিত ব্যক্তিত্বৰ অলংকাৰেৰে তেও সকলোকে সন্মোহিত কৰি ৰাখিছে। তেও বহু কেইখন গ্ৰন্থৰ প্ৰণেতা।

**ফাগুনত প্ৰেমৰ বতৰা**
**লেখিকা- ইনু শৰ্মা**
**প্ৰকাশক- অপূৰ্ব কলিতা, এন আৰ পাব্লিকেশ্যন, পাণবজাৰ**
**আলোচক- অনন্ত বৰ্মণ**

কবি ইনু শৰ্মাৰ মুঠ ৩১ টা কবিতা সন্নিৱিষ্ট সংকলনখনৰ কবিতাবোৰৰ শব্দৰ জোৰ, চিন্তা-শক্তিৰ প্ৰাবল্যই পঢ়ুৱৈৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ কবিতাটিৰ এঠাইত লিখা ‘বতাহে উৰুৱাই নিয়া সৰাপাতবোৰৰ/বুকুৰ মাজত বৰ দুখ/গোটাই পিটাই সৰাপাতবোৰ মানুহে/ জ্বলাই দিয়ে দ'ম দ'ম কৰি/ সেউজীয়া হোৱাৰ বেদনা...’।

‘আই সোধোঁ বুলি’ কবিতাটিৰ ‘আই সোধো বুলি/ এটা কথা.../কেনেকৈ হেঁপাহৰ বৰঘৰ/ ওপচাই আমালৈ/ বতৰা সোধ তই/ তোকনো আমি/ কেতিয়াও সোধা নাই/ কেনে আছ তই? কবিতা কেইফাঁকিত প্ৰকাশ পাইছে মাতৃ হৃদয়ৰ বিশালতাক চুব খোজা পুত্ৰ-কন্যাৰ গভীৰ উপলব্ধিৰ ভাববোধ।

এইদৰে ‘প্ৰতিচ্ছবি’ কবিতাটিত প্ৰকাশ পাইছে কোনো দিনে, কোনো কালে পাহৰিব নোৱাৰা জীৱনৰ আদিপাঠৰ শিক্ষা গ্ৰহণ কৰা সময়ছোৱাত লগ পোৱা মাটি আৰু শিলৰ/আজন্ম বন্ধুত্বৰ আলিংগন/সৃষ্টিৰ আঁৰৰ সৃষ্টি/কোনেও নাজানে সেই কথা/বহুযোজনা বাট/আন্দোলিত আকাশৰ প্ৰতিচ্ছবি’। ‘দোকমোকালি’ৰ/খুটি খুটি খায়/এন্ধাৰবোৰ/কিচিৰমিচিৰ কৰি/চৰাহীবোৰে...অৰ্থৱহ কবিতাৰ পংক্তিয়ে কংক্ৰিট নগৰীৰ সহজ-সৰল জনজীৱনৰ প্ৰভাতী পুৱাই ব্যস্ত হোৱা এখন প্ৰতিচ্ছবি দাঙি ধৰিছে।

এনেদৰে ‘ঘৰখন মোৰ হৈ থাকিব দিয়ক’ কবিতাটিত উচ্ছেদিত গৃহহাৰা একাংশ লোকৰ মৰ্মবেদনা মূলতঃ প্ৰকাশ পাইছে।

‘তুমি কোন ?’ কবিতাটিৰ যদি সূৰ্য হব খোজা/দিয়া নাই কিয় ৰ’দ সিঁচি।’ ঋতুজ প্ৰেমৰ অভিমানবোৰ সুন্দৰ সুন্দৰ ৰূপত প্ৰস্ফুটিত হৈছে।

**(২২/০৬/২০১৮)**

**কলিজাৰ ৰণক্ষেত্ৰ**

**লেখক- গিৰীশ শইকীয়া**

**প্ৰকাশক- বি আৰ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী**

**আলোচক- বিশ্বজ্যোতি চাং কাকতি**

চাৰিখন উপন্যাস এটা সংকলন ‘কলিজাৰ ৰণক্ষেত্ৰ’। ৰেল বিভাগৰ বিষয়া গিৰীশ শইকীয়াই আমাৰ ৰাজ্যৰ সাম্প্ৰতিক ঘটনাৱলীক লৈয়ে ৰচনা কৰা। ‘কলিজাৰ ৰণক্ষেত্ৰ’ নামৰ এই সংকলনটিত চাৰিখন উপন্যাস ক্ৰমে ‘কলিজাৰ ৰণক্ষেত্ৰ’, ‘যাত্ৰা’, ‘ভালপোৱাৰ বৰষুণ’ আৰু ‘ভালপোৱাৰ দেওঘৰ’ক সন্নিবিষ্ট কৰা হৈছে।

প্ৰথম দুখন উপন্যাসক সম্পূৰ্ণৰূপে ৰাজনৈতিক উপন্যাস বুলি কব লাগিব। ‘ভালপোৱাৰ বৰষুণ’ নামৰ উপন্যাসখন সামাজিক দৃষ্টিকোণেৰে লিখা উপন্যাস। আনহাতে ‘ভালপোৱাৰ দেওঘৰ’ নামৰ উপন্যাসখনত আজিৰ যুগত ফ্ৰেংকেষ্টাইনৰ ৰূপ লোৱা ফেচবুকৰ দুৰ্ব্যৱহাৰৰ পৰিণতিত এচাম ছোৱালীয়ে কেনেদৰে ধ্বংসৰ মুখলৈ গতি কৰিছে আৰু একাংশ অপৰাধীৰ মনোবৃত্তিৰ যুবকে কেনেদৰে প্ৰেমৰ জালত পেলাই এই ছোৱালীবোৰক শোষণ কৰিছে তাৰ সুন্দৰ বৰ্ণনা দিয়া হৈছে।

‘কলিজাৰ ৰণক্ষেত্ৰ’ উপন্যাসখনত লেখকে একাংশ ছাত্ৰ-ছাত্ৰী ৰাজনীতিৰ প্ৰলোভনৰ বশৱৰ্তী হৈ নৈতিকতাক বিসৰ্জন দি হ’লেও যে ভৱিষ্যতৰ সুখৰ জীৱন গঢ়াৰ পংকিল পথত ভৰি দিছে তাৰ সুন্দৰ বৰ্ণনা আছে। দিগন্ত কুমাৰ বৰুৱা নামৰ ছাত্ৰজনে শিশু কালৰেপৰাই পিতৃৰ মৰমৰ পৰা বঞ্চিত হৈয়ো তাৰ মাজতে পঢ়া-শুনা কৰি মনত পিতৃৰ বিৰুদ্ধে এটা ক্ষোভ পুহি ৰাখি কটন কলেজলৈ পঢ়িবলৈ আহি এটা সময়ত ছাত্ৰ-ৰাজনীতিৰ পংকিল পথত সোমাই পৰিছে। তেওঁ গুৰু হিচাপে পাইছিল পল্লৱ ছাৰক। ছাত্ৰ-ৰাজনীতি কৰি দিগন্তই ধন উপাৰ্জন কৰাৰ পথ বিচাৰি পাইছিল সেয়ে তেওঁ পিতৃৰ আৰু খুৰাকহঁতকো গুৰুত্ব দিয়া নাছিল। দিগন্তই কটন কলেজৰ সম্পাদকৰ পদো লাভ কৰিছিল। তাৰ মাজতে সহপাঠী জুৰিৰ লগত দিগন্তৰ প্ৰেম হৈছিল। দিগন্তৰ গুৰু পল্লৱ দাই এদিন ছাত্ৰ ৰাজনীতি বাদ দি মুখ্যমন্ত্ৰীৰ ঘৰলৈ গৈ শাসকীয় দলত যোগ দিছিল। উপন্যাসখনত লেখকে ৰাধিকা নামৰ এগৰাকী যুৱতীৰ চৰিত্ৰও আনিছে। ৰাধিকাৰ লগত পল্লৱ আৰু তেওঁৰ ঘনিষ্ঠ সহযোগী অংকুৰৰ শাৰীৰিক সম্পৰ্ক হৈছিল আৰু দিগন্তই জুৰিক বিয়া কৰোৱাৰ সপোন দেখিছিল যদিও জুৰিয়েও এদিন দিগন্তক বিশ্বাসঘাতকতা কৰিলে। জুৰিয়ে ভাল চাকৰি পালে আৰু অংকুৰৰ লগত বিয়াত বহিল।কাহিনীৰ শেষলৈ দিগন্তই তেওঁতকৈ দুবছৰ ডাঙৰ ৰাধিকাৰ লগত বিবাহপাশত আবদ্ধ হৈছিল।

ৰাজনীতিৰ সচাঁ চৰিত্ৰ কিছুমানে তেওঁৰ ‘যাত্ৰা’ নামৰ উপন্যাসখনত বিচৰণ কৰিছে। সৰ্বসাধাৰণ অসমীয়া পৰিয়ালৰ ওপৰত ভাৰতীয় সেনাৰ অত্যাচাৰ, অসমীয়া জীয়াৰীক সেনাৰ ধৰ্ষণৰ দৰে ঘটনাৰপৰা আৰম্ভ কৰি ল’ৰাবোৰক কম বয়সতে বিভিন্ন প্ৰলোভন দেখুৱাই নিষিদ্ধ ঘোষিত সংগঠনৰ নেতাসকলে যি পথে পৰিচালিত কৰি সংগঠনত সুমুৱাই লৈ কেনেদৰে নিজৰ স্বাৰ্থ সিদ্ধি কৰিছিল তাৰ বৰ্ণনা লেখকে ‘যাত্ৰা’ত দিছে। ইয়াত তেওঁ প্ৰবাল আৰু অসমী নামৰ দুটা চৰিত্ৰ ৰাখিছে। উগ্ৰপন্থী সংগঠনৰ ডাঙৰ নেতা এই চৰিত্ৰ দুটা। অতিশয় ঠেক মনৰ আৰু স্বাৰ্থান্বেষী প্ৰবালৰ দৰে উগ্ৰপন্থী নেতা আৰু অচ্যুতানন্দ নামৰ এজন জাতীয় নায়কৰ কথা আছে।

‘যাত্ৰা’ সাম্প্ৰতিক ৰাজনীতিৰ হুবহু প্ৰতিচ্ছবি।

‘ভালপোৱাৰ বৰষুণ’ ইয়াৰ মূল চৰিত্ৰটো অংগনা নামৰ নাৰী চৰিত্ৰটো। অংগনাৰ পিতৃ আছিল এজন মদহী। মদৰ বাবে সকলো বাদ দিব পাৰে অংগনাৰ পিতৃয়ে। অংগনাৰ প্ৰেম আৰু ত্যাগৰ কাহিনীত সুন্দৰভাৱে লেখকে আলোকপাত কৰিছে। অংগনা নিজেও অবিবাহিতা হৈ থকাৰ বিপৰীতে দিবাকৰ নামৰ চৰিত্ৰও (অংগনাৰ প্ৰেমিক) অবিবাহিতা হৈয়ে থাকিল। উল্লেখ্য যে এই উপন্যাসখনতো দিবাকৰৰ চৰিত্ৰটো এজন ৰাজনৈতিক নেতাৰ। ‘ভালপোৱাৰ দেওঘৰ’ ফেচবুকৰ অপব্যৱহাৰৰ বাবে আমাৰ যুৱ প্ৰজন্ম কেনেকৈ অবাটে গৈছে তাৰ বৰ্ণনা দিছে।

**শিপাৰ চিনাকি**
**লেখক - অৰুণ শৰ্মা**
**সম্পাদক - অবনী বৰা**
**প্ৰকাশক - জীৱনৰাম মুংগী দেবী, গোৰেংকা পাব্লিক চেৰিটি ট্ৰাষ্ট**
**আলোচক - অনুভৱ পৰাশৰ**

যশস্বী নাট্যকাৰ ঔপন্যাসিক অৰুণ শৰ্মাৰ আত্মকথা ‘শিপাৰ সন্ধান’ তেওঁৰ প্ৰথম মৃত্যু বাৰ্ষিকীত গ্ৰন্থখন প্ৰকাশ কৰা হৈছে। জীৱনৰ শেষ সময়ত তেওঁ লিখি থৈ যোৱা আত্মজীৱনীখন গতানুগতিক আত্মজীৱনী নহয়। সুদীৰ্ঘ ছটা দশকৰো অধিক কাল সামাজিক ঘটনা-পৰিঘটনাৰ মাজৰে সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত কৰা হৈছে। ব্যক্তিগত জীৱন আগবাঢ়ি যাওঁতে তেওঁ পোৱা সমাজখন, সমাজে তেওঁক দিয়া মধুৰ সহযোগ আৰু সান্নিধ্য, সমাজৰ প্ৰতি তেওঁ আগবঢ়াব পৰা সেৱাৰ বিষয়ে লিখকে অৱধাৰিতভাৱে ধৰা দিয়া বিভিন্ন বিষয়বস্তুৱে পঢ়ুৱৈক অন্য এখন জগতলৈ লৈ যায়। আত্মপ্ৰচাৰৰ পৰা বহু দূৰৈত আছিল তেওঁ। যাৰ বাবে এই আত্মলেখা লেখোতে বহু পলম হৈছিল আৰু এই আত্মলেখা কোনো আলোচনী বা বাতৰি কাকতত প্ৰকাশৰ বাবে দিয়া নাছিল। তেওঁৰ নিজৰ ভাষাৰে- ‘মোৰ চিনাকি। শিপামুখী এই যাত্ৰাত উদ্ভাসিত হৈ উঠিছে প্ৰাক স্বাধীনতাৰে আৰম্ভ হোৱা আৰু স্বাধীনতা-উত্তৰ অসমৰ ছয় দশকৰো অধিক কাল জোৰা এক সুদীৰ্ঘ সময়ৰ নটোল ছবি। এনেহে লাগে, বিশাল প্ৰেমত বন্দী হৈ ৰোৱা বিভিন্ন সময়ত একো একোখন ছবিয়েহে যেন আমাৰ চকুৰ সন্মুখেদি গতি কৰিছে’।

গ্ৰন্থখনিত ৯টা অধ্যায় আছে। এই অধ্যায় কেইটা হৈছে- দেউতাৰ বিষয়ে, শিক্ষা জীৱন, মোৰ বিয়া, আকাশবাণীৰ চাকৰিয়াল, মই এদিন গণশত্ৰু হৈছিলো, মোৰ অনাতাঁৰ সাংবাদিকতাৰ জীৱন কাহিনী, অনতাঁৰ আৰু কিছু কথা, পূৰ্বাচল আৰু একেবাৰে শেষত ভাৰতীয় চাহ সন্থা। প্ৰতিটো অধ্যায়ে বহু তথ্য দিয়ে। বায়েক-ভনীয়েক সকলোৰো নাম ‘অ’ আখৰেৰে থৈছিল। পিতৃৰ বিষয়ে তেওঁ লিখা কথাখিনিৰ মাজেৰে তেওঁৰ পিতৃৰ সততাৰ পৰিচয় পোৱা যায়। সাংবাদিকতা এৰি দোকান প্ৰতিষ্ঠা কৰাৰ পিছত তাত তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সান্নিধ্যও লাভ কৰিছিল।

আকাশবাণীত থাকোঁতে তেওঁৰ কৰ্তব্যনিষ্ঠাৰ কথা প্ৰতিফলিত হোৱা দেখিবলৈ পাওঁ, যাৰ বাবে তেওঁ ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকি উঠিছিল। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ নাতিনী আৰতি শৰ্মাৰ সৈতে বিবাহ পাশত আবদ্ধ হোৱা শৰ্মাৰ সাংসাৰিক জীৱনৰ আৰম্ভণি আছিল আকৰ্ষণীয়। পূৰ্বাচল সম্পাদনা কৰি অসমৰ সংবাদ জগতৰ ব্যতিক্ৰমিতাৰ পৰিচয় দিবলৈ সক্ষম হোৱা অৰুণ শৰ্মাই সংকটৰ সময়ত চাহ উদ্যোগক অসমৰ ৰাইজৰ মাজলৈ লৈ গৈ আস্থা আৰু বিশ্বাস আনি দিবলৈ সক্ষম হৈছিল, তাৰ বাবে বিভিন্ন ব্যতিক্ৰমি প্ৰচেষ্টা হাতত লৈছিল, তাক ‘শিপাৰ চিনাকি’ৰ মাজেৰে জানিবলৈ দিছে।

অৰুণ শৰ্মা মানুহজনক ভালদৰে বিচাৰি পোৱাত আৰু বুজি উঠাত ‘শিপাৰ চিনাকি’য়ে আমাক সহয় কৰিব। অৱশ্যে এয়া অসমাপ্ত আত্মজীৱনী হে।

**The ASSAM TRIBUNE :**

**(05.06.2018)**
**Grade IV….The Story Behind**
**Writer - Mandakini Khaidem**
**Reviewer - Madhurima Barua**
**Publisher - Apurba Kalita, MR Publication, Panbazar, Guwahati**
**Price - Rs. 150.00**

This is an English novel set in the plot of NE railways. Its fuelling theme is molestation faced at the workplaces and the struggle against it. The protagonist MirabaiRiwa is a tribal girl from Dafla, a fictional hilly area who comes to Govindpur, another fictional area in Assam to join railways as a fourth grade employee. The story unfolds with the protagonist's simple and hardworking nature that leads her way ahead in the work front. But along with that there is another parallel angle where she is subjected to some evil desires of people in higher posts. The transition from her initial silence about her sufferings to her decision to fight back later, seeing the courage by a fellow worker facing a similar incident, has been depicted very sensibly in the book.

Though it is a fictional account but the idea stems out of a true incident that took place back in between 2006 and 2008. This is one of the first pieces of literature dabbling with this sensitive topic. Written in English that too such silver-tongued, this book definitely promises to reach out to people and make its place.

**Jnan Bijnanar Rasal Kotha**
**Writer - HirenSarma**
**Reviewer - DhanjitMedhi**
**Publisher – Jagaran Sahitya Prakash, Nagaon**
**Price - Rs. 99.00**

This is a compilation of around 72 short articles published in the newspaper DainikBatoriKakot under the column name Biswakosh by the same author. The topics of the articles range from history, politics, science, film, art, culture, religion, geography, biography, sports, economics etc. The articles are informative as well as interesting. Also they are relevant. Though the book is targeted mainly for children but it can be very well enjoyed by the general reader of any age group.

**(12.06.2018)**
**Kalakar Nuruddin Ahmed – Jibon Aru Sadhona**
**Editor - Gopaljalan, Anubhav Parasar**
**Reviewer - ParthaPratimHazarika**
**Publisher - Sohaari Foundation, GatiAsom**
**Price - Rs. 200.00**

This book is an account of the life and work of Nuruddin Ahmed. Witten in a coffee table book format, it contains pieces by various people from the fields of art, cinema, mobile theatre, media et al. These pieces throw light on the multifaceted life of Ahmed. His journey from a small village to Sir JJ College of Art, Mumbai and then to Lalit Kala Academy, New Delhi for study is truly inspiring. The bouquet of his works has variety from movies to plays to mobile theatres etc. He has been one of the most celebrated art directors of Assamese movie and theatre industry. The tableaux created by him for Assam in republic day parade fetched him praise from a no. of people including the then president of India late Dr. A.P.J. AdbulKalam.

The book is a sincere effort to document and sketch the life and works of this artist with his complete glory.

**Adhunik Asomiya Kobita**
**Writer - M Kamalludin Ahmed**
**Reviewer - Dr.Parag Kumar Bhattacharyya**
**Publisher - Banalata, Guwahati**
**Price - Rs. 150.00**

In this book author Ahmed looks at some of the most renowned poets of contemporary times and their poems with a critical lense. This lens majorly is based on the notion of modern. Though modern is a quite loosely used word, but it has the capacity to situate a discourse under strict social and psychological scrutiny. Used for the first time in Latin American literature by Rubin Dario, modernism more or less refers to the period after enlightenment and the thoughts and things of that period are designated as modern.

In such a premise of the global notion of modern, Ahmed in this book examines the Assamese poetry scenario. He vey intricately deciphers through the theme and the style of selected poems by eminent Assamese poets like NabakantaBarua, NilomoniPhookan, AjitBarua, Samir Tanti etc. It is indeed an interesting process of understanding.